REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# PROCEEDINGS OF THE SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

Winter Session
Volume— 6
No.— 8

The Assembly met in the Assembly Chamber, Dispur, Guwahati at 9 A.M. on Friday, the 30th November, 1973

## PRESENT

Shri R. C. Barooah, B. L. Speaker in the Chair 10 ( ten ) Ministers, 2 ( Two ) Ministers of State and 65 ( Sixty five ) Members.

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1973

Dated the 30th November, 1973

**Contents**

1. Questions
2. Short Notice Questions
3. Calling Attention Notice under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly.
4. Matter under Rule 301 of the Rules of Procedur and Conduct of Business in Assam Legislative Assembly.
5. Private Members' Resolution.

## STARRED
## QUESTIONS AND ANSWERS
( To which oral replies were given )

Date : 30th November, 1973

তৰাংকিত স্থগিত প্ৰশ্ন নং :- ৯৮, ৯৯, আৰু ১০০

শ্ৰীনগেন বৰুৱা : অধ্যক্ষ মহোদয়, মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে অসম সমবায় চেনিকলৰ যিখিনি ৩,০৭,০৫৫ ·৬৯ টকা বা তাতোকৈ অধিক টকা অনাদায়ী হৈ পৰি আছে সেই অনাদায়ী কি কাৰণে হব লগা হ'ল আৰু কোন ব্যক্তি বা অনুষ্ঠানৰ নামত কি প্ৰকাৰে অনাদায়ী হৈ সোমাই আছে সেই বিষয়ে জনাবনে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) : বিভিন্ন লোক আৰু প্ৰতিষ্ঠানৰ পৰা ৩,০৭ ০৫৫· ৬৯ পাবলগা আছে আৰু বিভিন্ন কৰ্মচাৰীৰ পৰা ৪৪০৪২·৪৪ পইচা আৰু হেৰোৱা চেকৰ বাবদ ২১,৪০০·০০ পইচা। ব্যক্তি সকলৰ নাম কৰলৈ গলে এখন দীঘল লিষ্ট হব।

( ভইচ : কওক আমাক জনাব লাগে )

বিভিন্ন লোকৰ বা ব্যক্তিৰ পৰা পাবলগীয়া আছে—

| | | | | |
|---|---|---|---|---|
| ১) | শ্ৰীপি সেন, | এক্স মেনেজিং ডিৰেক্টৰ | —— | ৩৫০০·৯৯ পইচা |
| ২) | শ্ৰীএ, কে, চৌধুৰী | " " | —— | ৭৪১৮·৩৮ " |
| ৩) | শ্ৰীবি, হাজৰিকা | " " | — | ১২১৪·০০ " |
| ৪) | জে, আলি | " জেনেৰেল চেক্ৰেটাৰী | — | ১৯০৮৭·৯৩ " |
| ৫) | শ্ৰীইউ, হাজৰীকা | " " মেনেজাৰ | — | ১৯০৮৭·৯৬ " |
| ৬) | শ্ৰীডাঃ টি, আহমদ | " " " | — | ৪২০৬·৯৪ " |
| ৭) | শ্ৰীকে, চি, মহন্ত | এচিষ্টেণ্ট ইঞ্জিনিয়াৰ | — | ১৫০·০০ " |
| ৮) | ডাঃ প্ৰকাশ কাকতী | " " | — | ২০৫·২০ " |

| | | | |
|---|---|---|---|
| ৯) | শ্ৰীকে, পি, সাহা " " | — | ৪১২.০০ পইচা |
| ১০) | " কুমুদ ভৰালী " " | — | ৭৫.০০ " |
| ১১) | " জে, বৰা এক্স এগ্ৰিকালচাৰ অফিচাৰ | — | ১৭২৪.০৫ " |
| ১২) | " দি, কাকতি " " " | — | ২১.০০ " |
| ১৩) | " এন, এন, খাউণ্ড " " | — | ৪৮.০০ " |
| ১৪) | " এইচ' পি ঠাকুৰ " " | — | ৭২.০০ " |
| ১৫) | ,, কে, দি, সিং " " | — | ৮৩.০০ " |
| ১৬) | " জি, চি, দত্ত, স্পিচিয়েল অফিচাৰ | — | ৮১৬.০০ " |
| ১৭) | " দি, হাজৰিকা এচিষ্টেণ্ট ইঞ্জিনিয়াৰ | — | ৮.০০ " |
| ১৮) | " এচ আহমদ " " | — | ৪০.৬৮ " |
| ১৯) | " এইজ, পি, খাউণ্ড ষ্টোৰ কিপাৰ | — | ৩৩৮.২০ " |
| ২০) | " জিতেশ্বৰ বৰা " " | — | ৩৪১.৯৫ " |
| ২১) | " গোলাপ চন্দ্ৰ দাস, কেচিয়াৰ | — | ১০.০০ " |
| ২২) | " মুহিৰাম দত্ত | — | ৫০.০০ " |
| ২৩) | " চেনিৰাম বৰা | — | ১৯.৫০ " |
| ২৩) | " মহেন বৰা | — | ১৮.৩৬ " |
| ২৪) | " এন, ভাগৱতী | — | ১০৪১.৬০ " |
| ২৫) | " এ, কে, প্ৰমানিক | — | ৬৩৩.৫৬ " |
| ২৭) | " পি, কে গুহৰয় | — | ১১৪.১৫ " |
| ২৮) | " হিৰণ্য দত্ত | — | ১৪৫৫.৮০ " |

সৰ্বমুঠ— ৪৪,৪২৬.৪৪ ,,

ওপৰত উল্লেখ কৰাবোৰ হ'ল ব্যক্তিগত লোকৰ পৰা পাবলগীয়া টকাৰ পৰিমান। আৰু বিভিন্ন অনুষ্ঠানৰ নামত পাবলগীয়া আছে—মই পঢ়ি দিও—

| | | |
|---|---|---|
| ১) এম এচ চেমেচ ইঞ্জিনিয়াৰিং | —২৮,৮১৬.৯৩ | পইচা |
| ২) ,, ,, ইণ্ডিয়ান অক্সিজেন লিমিটেড | —১,৭২৮.০৭ | ,, |
| ৩) টেক্সটাইল মিল ষ্টোৰচ | —১০৯.৭৯ | ,, |
| ৪) জে, এচ, চাহ এণ্ড কোম্পানী | —৬৫০.০০ | ,, |
| ৫) ,, গুপ্ত ইঞ্জিনিয়াৰিং | —১৩৪১.৭৮ | ,, |
| ৬) চালিমাৰ পেইণ্টচ | —৩৯০.৫৩ | ,, |

এতিয়া লিষ্টখন বৰ দীঘল হব, মুঠ ১৭২ খন ফাৰ্মে মুঠ ৩,০৭,০৫৫·৬৮ পইচা দিব লগীয়া আছে, অৱশ্যে তাৰে কিছু অংশ 'ৰিয়েলাইজ' হৈছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :—এই লিষ্টখন আমাক চাৰকুলেট কৰিব লাগে।

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :—ঘূৰাই পোৱা টকাৰ পৰিমান হ'ল ১,৩১,১৮৭·৬৫ আৰু পাবলৈ আছে ১,৭৫,৭৬৮·০৪ পইচা।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :—বোৰ্ড অব ডিৰেক্টৰচৰ নাম আৰু তেওঁলোকৰ পৰা কিমান পাবলগীয়া আছে সেইটো নজনালে, সেই বিষয়ে জনাবনে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :— ১৯৬৭ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত এই যি তিনি বছৰৰ হিচাবহে মই দিছো, ইয়াৰ আগৰ বোৰ্ড অব ডিৰেক্টৰচৰ পৰা পাব লগীয়া কিমান আছে সেইটো মোৰ হাতত নাই।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :—সমবায় আন্দোলন বা সমবায় অনুষ্ঠানৰ উদ্দেশ্য এইটোৱেই নেকি যে সেই অনুষ্ঠানৰ টকা-পইচা ভাগ বতৰা কৰি সমবায় কৰিছে, এই টকা খিনি ৰিয়েলাইজ কৰাৰ কোনো সম্ভাৱনা আছে নে নাই, বিশেষকৈ যিবিলাক উচ্চপদস্থ কৰ্ম্মচাৰী ইয়াত জৰিত থকাৰ প্ৰমান পোৱা গৈছে সেই সকলে 'মিচ এপ্ৰোপ্ৰিয়েশ্যন কৰা বুলি নাভাবেনে ? আৰু এই বিষয়াসকলৰ বিৰুদ্ধে কিবা ব্যৱস্থা লোৱা হৈছে নেকি আৰু যদি লোৱা হোৱা নাই কিয় হোৱা নাই ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :—এই গোটেই বিলাক ব্যৱস্থা লোৱা হৈছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :—Sir, what are the difficulties in realising the money from the Government servants ?

১৯৬৭ চনৰ পৰা আজিলৈকে এই টকা খিনি চৰকাৰী চাকৰিয়ালৰ পৰা কিয় উলিয়াব পৰা নাই ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :—৪৪ হাজাৰ ছাব্বিশ টকাৰ আইন সঙ্গত ব্যৱস্থা লোৱা হৈছে। আৰু বাকী থকা টকাৰ কিছুমান ফাৰ্ম ইত্যাদিক দিয়া হৈছিল কুঁহিয়াৰ খেতি আদি কৰিবলৈ। কিন্তু এতিয়া দেখা গৈছে কুঁহিয়াৰ খেতিৰ ফাৰ্মৰ কোনো অস্তিত্বিয়েই নাই। সেই কাৰণে টকাটো উলিয়াব পৰা নাই আৰু পৰা হব নে নাই সেইটোও সন্দেহৰ কথা। এইটো টকাৰ হিচাব প্ৰায় এঘাৰ লাখ টকা হব।

শ্ৰীসোনেশ্বৰ বৰা :—ফাৰ্মৰ নামত যি মাটি বাৰী বা সা-সম্পত্তি আছে তাৰ পৰা উলিয়াব নোৱাৰিনে ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :---বহুত পূৰনা হল, ফাৰ্মৰ অৱস্থিতিয়েই উলিয়াব পৰা নাই, মানুহো নাই মাটিও নাই।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :—যিবিলাক অনুষ্ঠানৰ পৰা টকা পাবলগীয়া আছে সেই বিলাকৰ ভিতৰত গোলাঘাটৰ জিলা কংগ্ৰেছ কমিটিৰ নামত কোনো টকা আছে নেকি সেইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো আৰু লগতে তেখেতে যিখিনি টকাৰ হিচাব দিছে তাৰ ভিতৰত চেনিকলৰ চেয়াৰমেনজনৰ ব্যক্তিগত তৎপৰতাৰ বাবে বোকাজান অঞ্চলত কুঁহিয়াৰ খেতি কৰাৰ নামত আশী হেজাৰ টকাৰ অনুদান আৰু ঋণ হিচাবে দিয়াৰ হিচাব আছে নেকি ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :---এইটো আছেনে নাই ঠিক কব নোৱাৰো, অনুসন্ধান কৰি চাব লাগিব।

শ্ৰীনগেন বৰুৱা :—তেখেতে যিখন লিষ্ট দিছে সেইখন ১৯৬৭ ৬৮ চনৰ নেকি ?

অধ্যক্ষ :---১৯৬৯-৭০ চনৰ নহয় জানো ?

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :—হয়, ১৯৬৯-৭০ চনৰ লিষ্ট।

শ্ৰীনগেন বৰুৱা :—আমি আপ টু-দেট অৱস্থাটোহে জানিব বিচাৰিছো, আৰু দ্বিতীয়তে বোৰ্ড অব ডিৰেকৰ্টচৰ নামত কিমান টকা সোমাই আছে সেই সকলো বিলাক ঘোষণা কৰিব লাগে।

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, এইটো কথা এই সদনত কেইবাবাৰো আলোচনা হৈ গৈছে। ১৯৬৯ চনৰ পৰা প্ৰায় এবছৰ কালৰ কোনো হিচাব পত্ৰ চেনীকলৰ কাৰণে ৰখা নাছিল আৰু ইতিমধ্যে প্ৰায় চাৰিলাখৰো অধিক টকা আত্মসাৎ কৰা বুলি অভিযোগ কৰি কিছু কেচ পুলিচৰ হাতত দিয়া হৈছে সেই সকলো বিলাক লৈ হিচাব উলিয়াবলৈ বেলেঞ্চ চীট আমাৰ হাতত আহি পোৱা নাই।

শ্ৰীনগেন বৰুৱা :—যদি এবছৰৰো অধিক কাল চেনী কলৰ হিচাব পত্ৰ ৰখা নাছিল সেই বোৰ্ড অব ডিৰেকৰ্টচৰ আৰু মেনেজিং ডিৰেকৰ্টৰৰ ওপৰত কিয় ব্যৱস্থা লোৱা নাই জানিবলৈ বিছাৰিছো।

শ্ৰীগজেন তাঁতী (মন্ত্ৰী) :---যি সময়ৰ হিচাবৰ অভিযোগৰ কথা ওলাইছে সেই সময়ত বোৰ্ড অব্ ডিৰেকটচৰ চেয়াৰম্যান কোনোবা এজন গগৈ তেখেতৰ ওপৰত দায়িত্ব অৰ্পন কৰা হৈছিল তাৰ পিচত এজন ডিৰেকটৰ কোনোবা বৰুৱা হল। তাৰ পিচত অডিত পোৱা মতে চাৰিজনৰ নামত ব্যৱস্থা লোৱা হৈছে।

শ্ৰীনগেন বৰুৱা : বোৰ্ড অব্ ডিৰেক্টৰ্চৰ ওপৰত কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) : সেইখন বোৰ্ড অব ডিৰেক্টৰ্চ এতিয়া নাই।

শ্ৰীলক্ষীকান্ত শইকীয়া : অধ্যক্ষ মহোদয়, দেখা গৈছে যে চেনীকলৰ হিচাৱ পত্ৰ এবছৰ কাল ৰখা নাছিল আৰু প্ৰায় চাৰি লাখ টকা আত্মসাৎ কৰা হৈছিল সেই সময়ৰ চেয়াৰমেন জনৰ নাম কি আৰু তেওঁৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হৈছেনে নাই, আৰু গোটেই কথাটোৰ কাৰণে তেওঁৰ ওপৰত দায়িত্ব অৰ্পণ কৰা হৈছে নে নাই ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) : চেনীকলৰ বাইল ( উপবিধি ) মতে চেয়াৰমেন জনৰ ওপৰত বিত্তীয় দায়িত্ব অৰ্পণ কৰা নাই। মেনেজিং ডিৰেক্টৰ আৰু বোৰ্ড অব ডিৰেক্টৰ্চৰ ওপৰত হে আছে।

শ্ৰীসোনেশ্বৰ বৰা : চেয়াৰমেন জন কোন আছিল ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) : চাব লাগিব।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : চেয়াৰমেন জন কোন সেইটো সদনৰ সকলোৱে জানে। তেখেতে নজনাৰ কাৰণ কি জানিব পৰা নাই। নাম কৰলৈ দ্বিধাবোধ কৰিছে নে লুকুৱাবলৈ যত্ন কৰিছে সেইটো আমি জানিবলৈ বিচাৰিছো।

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) : চাব, সেই কালছোৱাৰ চেয়াৰমেন স্বৰ্গীয় নৰেন শৰ্মা আছিল। বৰ্তমান সময়ত শ্ৰীসৰ্ব্বেশ্বৰ বৰদলৈ।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : এই হিচাব পত্ৰ নোহোৱাৰ কাৰণ যি কেইজন চাকৰিয়াল লোক তাৰ ভিতৰত আমাৰ চৰকাৰী কৰ্মচাৰীও আছে। অনুষ্ঠান আদিৰ কথা বাদ দিলেও যি কেইজন চৰকাৰী চাকৰিয়াল আছে আৰু ডাঙৰ ডাঙৰ গাদী লৈ সচিবালয়ত ঘুৰি ফুৰিছে সেই সকলৰ পৰা কিয় টকাটো আদায় কৰাৰ কাৰণে চৰকাৰে বিহিত ব্যৱস্থা লব পৰা নাই ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) : চৰকাৰী চাকৰিয়াল সকলৰ পৰা যি টকা পাব লগীয়া আছে সেইটো ভ্ৰমণ বানচৰ কাৰণে আগধন লোৱা ( টি-এ, এডভান্স ) টকা। সেইটো ঘুৰাই পাবলৈ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা: কি ব্যৱস্থা লবলগীয়া আছে, দৰমহাৰ পৰা কাটি ললেই হয় দেখোন ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ): সেইটো ব্যৱস্থাকে কৰা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা: এতিয়া চেয়াৰমেন কোন ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ): শ্ৰীনৰেশ্বৰ বৰদলৈ। মই আগতেই কৈছো।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা: বোৰ্ড অব ডিৰেক্টৰ্ছৰ ফাইনেনচিয়েল দায়িত্ব বাইল' মতে নাই বুলি ভাবে নেকি ? আৰু যদি ভাবে কোন কল মতে নাই কব পাৰিব নেকি ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ): কলৰ কথাটো ভালকৈ নাজানো। কিন্তু ফাইনেন-চিয়েল দায়িত্ব চৰকাৰী যিবিলাক বিষয়া আছে সেই সকলৰ ওপৰত দিয়া হৈছে। বোৰ্ড অব ডিৰেক্টৰ্চে সেই বিষয়ে চাবহে পাৰে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা: বোৰ্ড অব ডিৰেক্টৰ্চৰ আৰু মেম্বাৰ সকলৰ ওচৰত সেই অঞ্চলৰ ৰাইজে বাজহুৱা ভাৱে এই বিলাক বেমেজালিৰ কথা উল্লেখ কৰি স্মাৰক পত্ৰ দাখিল কৰিছিল সেই স্মাৰক পত্ৰৰ ওপৰত বোৰ্ড অব ডিৰেক্টৰ্চে কি ব্যৱস্থা গ্ৰহণ কৰিছিল আৰু যদি কৰা নাই কিয় কৰা নাই ? সেই স্মাৰক পত্ৰৰ ওপৰত বোৰ্ড অব ডিৰেক্টৰ্চক আঁতৰোৱাৰ ব্যৱস্থা কিয় লোৱা নাই ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ): সময়ে সময়ে হোৱা বিভিন্ন মিটিং আদিত বোৰ্ড অব ডিৰেক্টৰ্চে ব্যৱস্থা লৈছে। এখন মিটিং পাতি নতুনকৈ নিৰ্বাচন কৰিবলৈ কোৱা হৈছে। কিন্তু চেনীকলৰ কুঁহিয়াৰ পেৰাৰ কাম আৰম্ভ হোৱাৰ কাৰণে আমাৰ কালৰ পৰা সময় দিয়া হৈছে।

শ্ৰীসোনেশ্বৰ বৰা: মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই অনুষ্ঠান পুনৰ চলাই থাকিবলৈ তেখেতে কিবা ব্যৱস্থা লৈছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ): প্ৰশ্নটো এনেকৈ কোৱা অলপ টান।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা: মুখ্যমন্ত্ৰী মহোদয় বোধকৰো এইটো কথাত আমাৰ লগত একমত যে সমবায় যি উদ্দেশ্য লৈ কৰা হৈছিল সেই উদ্দেশ্য কেৱল টকা পইচা বিলাক ভাগ ভাগ কৰি খাই বহি থকাতহে সফল হৈছে। গতিকে তদন্ত কৰি এইবিলাক বিষয়ৰ কিবা এটা ব্যৱস্থা মুখ্যমন্ত্ৰী মহোদয়ে কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): এই অনুষ্ঠানৰ খেলিমেলিৰ কথা জনোৱা হৈছে, আৰু জানো যদিও ইমান বিতংকৈ হিচাবটো আজিহে শুনিলো।

Shri Mal Chandra Pegu : Mr. Speaker, Sir, under Rule 34 of the Rules of Procedure and Conduct of Business in the Assam Legislative Assembly supplementary questions should not exceed 6 in number. But it is seen that the Opposition Members are allowed to put more than six questions. I therefore demand that this should be put to an end.

**Re : Stones in the Central Store of Assam and Meghalaya S.R.T.C.**

**Shri ATUL CHANDRA SAIKIA** asked :

*107. Will the Minister, Transport be pleased to state—

(a) Whether it is a fact that of late, a box containing spare parts, worth about Rs.25,000·00 has been missing from the Central Stores of the Assam and Meghalaya State Road Transport Corporation ?

(b) If so, what step has since been taken by the Management of the Corporation to find out the persons at fault ?

(c) Whether it is a fact that the Central Stores of Assam and Meghalaya State Road Transport Corporation has recently accepted few packed boxes, supposed to contain spare parts, but actually revealed on unpacking that the packed boxes contained stones ?

(d) If so, what steps the Corporation has taken in this regard ?

**Shri HARENDRA NATH TALUKDAR ( Minister, Transport )** replied :

107. (a)—Yes, a box containing auto spares required for Bedford Vehicles was found missing from Central Store on 30th March 1973. The value of the item missing came to Rs.10,127.41.

(b)—The matter had been handed over to police for necessary action.

(c)—Yes, a consignment coming from Telco, Jamshedpur by Road Transport was received in partly damaged condition and as such open delivery was taken during which it came to light that spares were pilfered en-route and were packed with broken stone.

(d)—This matter has been taken up with Supplier and Insurance Company and Carrier. Claim was preferred but not yet finalised.

Shri Atul Chandra Saikia : May I know from the hon. Minister whether box missing numbered as box No. 10 ?

Shri Harendra Nath Talukdar ( Minister Transport ) : Yes, No. 10.

Shri Atul Chandra Saikia : What is the source of information from which the Minister is telling us that the box contained useless parts ? I say that the box contained new and unused parts. Which is correct Sir ?

Shri Harendra Nath Talukdar : I have stated in this House on an earlier occasion regarding the report of obsolete parts amounting to Rs. 7,51,000 and in that amount this box was also included. But afterwards on an enquiry it was found that this box did not contain obsolete parts but it contained usable new parts.

Shri Atul Chandra Saikia : The Minister has corrected his own statement that it did not contain obsolete parts.

Mr. Speaker : He did not mention about obsolete parts.

Shri Harendra Nath Talukdar ( Minister, Transport ) : I stated on an earlier occasion.

Shri Atul Chandra Saikia : Who gave the first information about the missing of this box ? Is it a fact that an employee of the store first gave this information and he was then promptly transferred to another place ?

Shri Harendra Nath Talukdar ( Minister, Transport ) : Actually the Central Store incharge informed the Deputy General Manager who enquired into it and found that the box was missing. That person has not been transferred.

Shri Atul Chandra Saikia : Is it a fact that one Shri Atul Malakar, an employee of the Central Store, who reported the matter has been transferred immediately thereafter ?

Shri Herendra Nath Talukdar ( Minister, Transport) : So many employees have been transferred here and there and he may be one of them. The matter was detected in March and the transfer took place afterwards.

Shri Dulal Chandra Barua : On what date the delivery of this consignment was taken by the Corporation ?

Shri Harendra Nath Talukdar ( Minister, Transport ) : The delivery was taken long ago but I cannot give the exact date. Obsolete parts accumulated from 1954.

Shri Dulal Chandra Barua : On what date the consignment containing broken stones was received ?

Shri Harendra Nath Talukdar ( Minister Transport ) : That was received on 7.4.73.

Shri Dulal Chandra Barua : Is it a fact that on that day when the consignment arrived, the people who went to take delivery did not take delivery in day time and deliberately took delivery at night ?

Shri Harendra Nath Talukdar ( Minister Transport ) : The consignment was opened in presence of the insurance representative.

Shri Dulal Chandra Barua : Whether it is a fact that instead of taking delivery in day time, the delivery of the consignment was taken at night ?

Shri Harendra Nath Talukdar ( Minister Transport ) : That information is not with me. The truck may reach at day time or at night.

Shri Manabendra Sarma : Who was the carrier of the consignment ? The Minister in his reply has stated that he could not give the exact date of delivery. Then how can the amount be recovered from the carrier because the date is the main factor ? There is a limitation of time for preferring claims to the carrier.

Shri Harendra Nath Talukdar : I have already stated that the consignment was received on 7.4.73 and the carrier was M/s. Economic Transport Organisation. The complaint has been lodged with the carrier on 5.6.73.

Shri Dulal Chandra Khound : The missing of the box No. 10 was detected in March. How long thereafter Shri Atul Malakar has been transferred from here ?

Shri Harendra Nath Talukdar ( Minister Transport ) : That date is not with me, Sir.

Shri Manabendra Sarma : Whether the Insurance Company has admitted the claim and actually paid the amount ?

Shri Harendra Nath Talukdar ( Minister Transport ) : I have already stated in my reply that the claim has not yet been finalised.

Shri Atul Chandra Saikia : How many cases of this nature containing stones have been detected in 1972-73 ?

Shri Harendra Nath Talukdar ( Minister Transport ) : That details is not with me. During 1972-73. from June, 1972 to October, 1973, 15 such cases have been detected.

Shri Atul Chandra Saikia : May I know whether the box No.10 was actually found missing on the day when Mr. Paul, D. I. G., C. B. I. was investigating in the Central Store and it was sold out to a firm at Tokobari ?

Shri Harendra Nath Talukdar : ( Minister, Transport ) That information is not with me. The matter has been referred to the police for investigation.

Shri Dulal Chandra Barua : Whether this was the first occasion on which such a case was detected or there were some such cases in the past also ? If so, whether enquiry is being made to fix responsibility on the guilty persons ?

Shri Harendra Nath Talukdar : ( Minister, Transport ) Earlier whether there was such cases or not, that information is not with me. The matter has been referred to the police for investigation and after getting their report action will surely be taken against the persons found responsible.

Shri Manabendra Sarma : What is the reason for non-payment of the claim preferred in April ? It is already more than six months.

Shri Harendra Nath Talukdar : ( Minister, Transport ) We have lodged the complaint but it has not yet been finalised. We have sent a reminder on 13th September last.

Shri Dulal Chandra Barua : What are the names of the firms from whom supplies are taken by the Corporation ? Is it a fact that in collaboration with certain employees of the Corporation these things are going on. The parts are taken out from boxes and filled with stones and other materials. Whether it is also a fact that all the documents to be made available for enquiry have been destroyed by now ?

Shri Harendra Nath Talukdar ( Minister, Transport ) : The suppliers are M/s. Tata Engineering and Locomotive, Jamshedpur and Bombay. We are purchasing from them directly.

***Re:* Amendment of Assam Fundamental Rules and Assam Financial Rules**

**Shri DULAL CHANDRA BARUA** asked :

*108. Will the Chief Minister be pleased to state—

(a) Whether necessary steps have been taken by the Government for amendment of the Assam Fundamental Rules and Assam Financial Rules for the purpose of T.A/D.A. for tours to Meghalaya and Mizoram after the 21st January 1972 ?

(b) Whether tours of officials to Meghalaya and Mizoram are treated as tours outside the State ?

Shri SARAT CHANDRA SINHA ( Chief Minister ) replied :

108. (a)—No. Steps will be taken to amend the Assam Fundamental Rules and Subsidiary Rules in this respect when the decision of the Assam Pay Commission will be finalised.

(b)—Tours of officials to Meghalaya are not treated as tours outside the State. So far as tours of officials to Mizoram is concerned, they are treated as outside the State.

Shri Dulal Chandra Barua : Is Govt. aware of the fact that some officers have taken D. A. more than what has been prescribed in the financial rules in respect of visiting Meghalaya ?

Shri Sarat Chandra Sinha ( Chief Minister ) : This is a new question.

Shri Dulal Chandra Barua : The question is very specific. When the officers visit Meghalaya and Mizoram do they treat these places as outside the State ? Is it also a fact that when they travel from Shillong to Dispur or Dispur to Shillong they take T.A. and D.A. at enhanced rate as is applicable to places outside the State ? In other words do they treat Shillong a place outside the State ?

Shri Sarat Chandra Sinha ( Chief Minister ) : As I have already said that Meghalaya is treated as within the State.

Mr. Speaker : Has any instance came to your notice ?

Shri Sarat Chandra Sinha (Chief Minister ) : That will be looked into.

Shri Dulal Chandra Barua : May I know from the Chief Minister at what stage the Pay Committee report is lying now ? Whether the House can expect to get the report during the session ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Sir, it relates to the F.R. and S.R.

Shri Dulal Chandra Barua : The Chief Minister has said that this will be reoriented on the basis of the Pay Commission report. Whether the Report of the Pay Commission will be kept in the cold storage for months together ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Sir, that will be placed before the House.

Shri Dulal Chandra Barua : Whether in this Session or not ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Sir, that is now under consideration of the Govt.

( Starred question No. 109 was not put and answered as the member was absent. )

## বি ঃ কছাৰিহাট হাইস্কুললৈ ঋণ মঞ্জুৰী

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

*১১০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট মহকুমাৰ কছাৰিহাট হাইস্কুললৈ যোৱা বছৰ ১৮ হেজাৰ টকাৰ এটি ঋণ ঘৰ সাজিবৰ অৰ্থে মঞ্জুৰ কৰা হৈছিল নেকি ?

(খ) এই ঋণৰ টকা স্কুলখনলৈ আজিলৈকে নপঠোৱাৰ কাৰণ কি ?

(গ) উক্ত স্কুলখনে এই ঋণ নোপোৱাত স্কুলৰ ঘৰ আধা কৰাকৈ পেলাই থব লগা হোৱাত স্কুলখনৰ প্ৰভূত ক্ষতি হোৱাৰ কথা চৰকাৰে জানেনে ?

(ঘ) এই সকলো কথা বিবেচনা কৰি উক্ত স্কুলখনৰ প্ৰাপ্য ঋণখিনিৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰি স্কুলখনৰ উপকাৰ সাধা হবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( শিক্ষা বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

১১০। (ক) আৰু (খ)—ঋণ মঞ্জুৰী কমিটিয়ে এই হাইস্কুল খনৰ ঘৰ সাজিবলৈ ১৮ হেজাৰ টকাৰ ঋণদানৰ এটি পৰামৰ্শ আগবঢ়াইছিল। কিন্তু এই স্কুলৰ ঋণনামা খনত ক্ৰুটি থকাত যোৱা বছৰত উক্ত স্কুলখনক ঋণ দিব পৰা নহ'ল।

(গ) এনে ধৰণৰ খবৰ এতিয়াও চৰকাৰৰ হাতত পৰা নাই।

(ঘ) হয় হব। ইতিমধ্যে ঋণনামাখনত থকা ক্ৰুটি দূৰ কৰা হৈছে আৰু শিক্ষাধীকৰ্ত্তাৰ জৰিয়তে স্কুল কৰ্তৃপক্ষলৈ ঋননামাখন পুণৰ ৰেজিষ্ট্ৰেচন কৰাৰ বাবে পঠোৱা হৈছে। এইখিনি কাম হৈ গলে স্কুলখনক ঋণ দিব পৰা হ'ব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : ঋণনামা আইনখন গ্ৰহণ কৰাৰ পিচত যোৱাবাৰ যোৰহাট মহকুমাৰ বহুত ঋণনামা ডি, পি, আই অফিচত হেৰাই যোৱাৰ ফলত ঋণ নোপোৱা বাবে স্কুল বিলাকে বহু কষ্ট ভোগ কৰিব লগা হৈছে। এই কথাটো অনুসন্ধান কৰি চাবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : অনুসন্ধান কৰি চাম।

( Starred question No. III was not put as the member was absent. )

*Re :* Grievances of Asom Abkari Karmachari Sangha

Shri DULAL CHANDRA BARUA asked :

*112. Will the Chief Minister be pleased to state—

(a) Whether Government is in receipt of Memorandum submited by Asom Abkari Karmachari Sangha ?

(b) If so, what were their long felt grivances to be fulfilled by the Government ?

(c) Whether it is also a fact that Government is contemplating to set up a Commission to go into the working of this most important revenue earning Department for recommending measures to reorganise the entire Department as has been done in case of Police Department ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

112. (a)—Yes.

(b)—A list of the grievances has been placed on the Table of the House.

(c) There is no such contemplation.

Shri Dulal Chandra Barua : Whate is the difficulty on the part of the Govt. to meet the minimum demands of the employees ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Sir, I have not mentioned in my answer about any difficulty.

Shri Dulal Chandra Barua : Demands are always there. The Chief Minister was pleased to place it on the Library table but I want to know what is the difficulty on the part of the Govt. not to meet any demand of the Association ?

Shri Sarat Chandra Sinha ( Chief Minister ) : There are various demands and those being examined at different levels.

Shri Dulal Chandra Barua : What is the difficulty in giving uniform rates to the constables and A.S. Is ?

Shri Sarat Chandra Sinha ( Chief Minister ) : That is to be decided.

Shri Dulal Chandra Barua : What is the difficulty to give increased rates to the various constables and A.S. Is ?

Shri Sarat Chandra Sinha ( Chief Minister ) : That is to be examined in the Finance Department.

Shri Dulal Chandra Barua : Certain posts were sanctioned and the Govt. has given a final decision on that and informed the Association but till today those posts have not been filled up ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Are you speaking about number of posts of increased pay ?

Shri Dulal Chandra Barua : The posts have not been filled up yet.

Shri Sarat Chandra Sinha ( Chief Minister ) : So far as the number of posts are concerned there is no scope of increasing it.

Shri Dulal Chandra Barua : Whether Govt. is giving any scope or facility for mobility, I mean the housing or facility for mobility, I mean the housing or accommodation.

Shri Dulal Chandra Barua Whether the Housing accommodation is given to the constables ?

Shri Sarat Chandra Sinha, Chief Minister : That is not with these employees alone. The same trouble the Govt. is facing with other departments also. We are trying to fulfill it as far as possible.

Shri Dulal Chandra Barua This Department is a revenue earning Department. To implement the prohibition and other acts co-operation of this deptt. is necessary. From that point of view does Govt. not consider it proper to reorganise this Deptt- and give them all facilities for smooth functioning of the organisation ?

Shri Sarat Chandra Sinha, Chief Minister : Sir, it is indeed an important Deptt., a revenue earning Deptt. and the Govt. is giving due consideration to their demands. Stared Question 113 the question has not part as the hon. member was absent.

## বিঃ গোলাঘাট পৌৰ সভাৰ মঞ্জুৰী

সোনেশ্বৰ বৰাই সুধিছে :

*১১৪। মাননীয় পৌৰ পালিকা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট পৌৰ সভাৰ পানী যোগান আঁচনি খনত এতিয়ালৈকে চৰকাৰে কিমান টকা ঋণ মঞ্জুৰ কৰিছে ?

(খ) পৌৰ সভাখনে এই ঋণৰ কিমান টকাৰ ঋণ পাবলৈ এতিয়াও বাকী আছে ?

(গ) এই চৰকাৰী ঋণ পৌৰ সভাখনে কি চুক্তিত লব লগা হৈছে?

(ঘ) পৌৰ সভাখনে সময়মতে চৰকাৰী ঋণৰ টকাখিনি নোপোৱাত এই পানী যোগান আঁচনিখন সময়মতে সম্পন্ন কৰিব নোৱাৰাত গোলাঘাট নগৰৰ ৰাইজে আৱশ্যকীয় পৰিমাণৰ পানী পোৱাৰ পৰা বঞ্চিত হৈছে সচাঁনেকি ?

শ্ৰীচৈয়দ আহমদ আলি ( পৌৰ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে :

১১৪। (ক)— ১৩,৪০,৮৯০ টকাৰ ঋণ মঞ্জুৰ কৰা হৈছে।

(খ)— ১১,৯৭,৩৯০·০০ টকাৰ ঋণ দিয়া হৈছে আৰু ১,৪৩,৫০০·০০ টকা দিবলৈ বাকী আছে।

(গ)— সৰ্তাৱলীৰ তালিকা সদনৰ মেজত ৰখা হৈছে।

(ঘ) - টকাৰ যোগাৰ আৰু অন্যান্য নিয়ম বিধি সম্পূৰ্ণ হোৱাৰ লগে লগে ঋণৰ টকা দিয়া হৈছে।

**Starred Questions No 115 was not put as the member was absent.**

*Re :* **Reports of the State Vigilance Commission**

Shri DULAL CHANDRA BARUA asked :

* 116. Will the Chief Minister be pleased to state--

(a) The total number of Annual reports of the State Vigilance Commission submitted since its inception indicating the years in which such reports were submitted ?

(b) Whether Government is aware that the Annual reports on the workings of the State Vigilance Commission are required to be submitted annually as mandate of the House ?

Shri SARAT CHANDRA SINHA

( Chief Minister ) asked :

116. (a) So far two annual reports of the State Vigilance Commission relating to years 1965 and 1966 were placed before the Lagislature.

(b) The reports of the State Vigilance Commission are required to be submitted to the Legislature as laid down in para 4 (e) of the Government Resolution No. PLA. 473/64, dated 30th September 1964.

Shri Dulal Chandra Barua : If it is so, then why reports are not submitted to the Legislature timely ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Sir, when the reports are submitted to the House memorandum has to be prepared on the reports. Government took certain time to prepare the memorandum.

Shri Dulal Chandra Barua : How long Government will take ? One man has been placed at the disposal of the Commission ; his main duty is to prepare the report. What was the difficulty on the part of the Commission to submit report before the House as per rule as quoted by the Chief Minister ?

Shri Sarat Chandra Sinha ( Chief Minister ) : So far as the Government is concerned, in preparing the memorandum various observations made by the Commission will have to

be looked into by the Departments concerned and to collect the information from those Departments for preparation of the memorandum it will take time. So the Government has taken time.

Shri Dulal Chandra Barua : How much money has been spent for the Vigilance Cell ?

Shri Sarat Chandra Sinha ( Chief Minister ) : It is a not question. Even then, quite a large amount has been spent,

Shri Dulal Chandra Barua When we have spent large amount of money why the reports could not be submitted in time ? Is it not violation of the rules of the House and violation of the provision of Constitution ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Without violating the rules reports will be submitted. As a matter of fact the annual reports for 69-70-71-72 were submitted to the Government on 2.11.72,20.12.72,30.7.73 and 31.10.73 respectively. These reports are being examined by various Deparments and after examination of the cbservations memorandum will be prepared and with the memorandam the reports will be placed without violating the rule.

Shri Dulal Chandra Barua : Annual report has to be placed before the House and the rule is that the House can take into consideration the report and can give certain suggestions for improvement of efficiency of the Government machinery. By depriving us of the report do Government not consider it a grave violation of the rules ?

Shri Sarat Chandra Sinha ( Chief Minister ) : I quite see the point. Government should have done it. I am sorry, it has not been done. I will see this is done.

Shri Dulal Chandra Barua : After the retirement of the Vigilance Commissioner has anybody been appointed ?

Shri Sarat Chandra Sinha ( Chief Minister ) : Nobody has been appointed.

Shri Dulal Chandra Barua : Is Government trying to abolish the Commission ?

Shri Sarat Chandra Sinha ( Chief Minister ) : No decision has been taken in this matter.

St. Q. No. 117 was not put member being absent.

## বিঃ পুথিভঁৰাললৈ বাৰ্ষিক অনুদান

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

* ১১৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম ৰাজ্যিক সামাজিক শিক্ষা বিভাগৰ তৰফৰ পৰা পুথিভঁৰাল বিলাকক বাৰ্ষিক অনুদান দিয়াৰ কিবা ব্যৱস্থা আছে নেকি আৰু যদি আছে কি কি নিয়মৰ ভিত্তিত এই অনুদান দিয়া হয় ?

(খ) কোনো পুথিভঁৰালক একে বছৰতে ৰাজিক আৰু প্ৰাদেশিকৰ পৰা দুয়োটা অনুদান দিয়া হয় নেকি ?

(গ) যদি হয়, অসমৰ কোন কোন পুথিভঁৰালক এই অনুদান দিয়া হয় জনাবনে, আৰু যদি দুয়ো ফালৰ অনুদান দিয়া নহয়, কিয় দিয়া নহয় ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১১৮। (ক) অসম সামাজিক শিক্ষা বিভাগৰ পৰা গ্ৰাম্য পুথিভঁৰাল বিলাকক বাৰ্ষিক অনুদান দিয়াৰ ব্যৱস্থা আছে। ১৯৭২-৭৩ চনত এতিয়ালৈকে ১,৪১৫ টা পুথিভঁৰালক অনুদান দিয়া হৈছে।

এই পুথিভঁৰালক তলত দিয়া বিষয় সমূহৰ ভেটিত অনুদান দিয়া হয়— যেনে :

(১) পুথিভঁৰালৰ নিজা মাটিৰ পৰিমাণ

(২) ঘৰৰ অৱস্থা

(৩) পুথিৰ সংখ্যা

(৪) পঢ়ুৱৈৰ সংখ্যা

(৫) আৰ্থিক অৱস্থা

(৬) কাৰ্য্যকলাপ

(৭) খণ্ড উন্নয়ন বিষয়াৰ মতামত ইত্যাদি।

(খ) ৰাজ্যিক আৰু প্ৰাদেশিক বুলি দুবিধ কোনো পুথিভঁৰাল নাই। যি দুবিধ প্ৰচলিত পুথিভঁৰাল ৰাজ্যত আছে, তাৰে এবিধ বেচৰকাৰী গ্ৰাম্য পুথি-ভঁৰাল যি বিলাকে সামাজিক শিক্ষা বিভাগৰ পৰা অনুদান পায়। অন্য বিধ পুথিভঁৰাল চৰকাৰৰ দ্বাৰা পৰিচালিত কেন্দ্ৰীয় পুথিভঁৰাল, জিলা আৰু মহকুমা পৰ্য্যায়ৰ পুথিভঁৰাল সমূহ।

গ্ৰাম্য পুথিভঁৰাল সমূহে দুয়োফালৰ পৰা অৰ্থাৎ সামাজিক শিক্ষা বিভাগ আৰু চৰকাৰী পুথিভঁৰাল আঁচনিৰ পৰা একেলগে আৰ্থিক অনুদান নাপায়, কিন্তু কেতিয়াবা কিতাপ ৰাহি হলে সামাজিক শিক্ষা বিভাগে দিয়া আৰ্থিক অনুদানৰ উপৰিও এই গ্ৰাম্য পুথিভঁৰাল সমূহক চৰকাৰী কেন্দ্ৰীয় পুথিভঁৰালৰ পৰা কিতাপৰ অনুদান দিয়া হয়।

(গ) ওপৰোক্ত পৰিস্থিতিৰ বাহিৰে দুয়ো ফালৰ পৰা গ্ৰাম্য পুথিভঁৰাল সমূহক অনুদান দিয়াৰ বিধিগত কোনো ব্যৱস্থা নাই। সেই কাৰণে দিয়া নহয়। কেন্দ্ৰীয় পুথিভঁৰালৰ সন্থাৰ পৰামৰ্শক্ৰমে বিভিন্ন গ্ৰাম্য পুথিভঁৰালক মাজে সময়ে কিতাপৰ অনুদান দিয়ে।

শ্ৰীসোনেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, 'খ' প্ৰশ্নৰ উত্তৰত শব্দ এটা ভুল হৈ আছে। এইটো প্ৰাদেশিক নহৈ সামাজিক হব।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) : ( ১১৮ নং প্ৰশ্নৰ উত্তৰটো পঢ়ি যায়। )

শ্ৰীসোনেশ্বৰ বৰা : ১৪১৫ টকা পুথিভঁৰালৰ কাৰণে দিয়া হৈছে। কিমান টকাকৈ অনুদান দিছে আৰু কিয় বৈষম্য ৰাখি দিয়া হৈছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) : বেচিচটো মই আগতেই কৈ আহিছো। কি ভিত্তিত দিয়া হয়। টকাৰ সংখ্যাৰ হিচাবটো মোৰ হাতত নাই কিন্তু লিষ্ট খন আছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : কি প্ৰিনচিপলত টকা দিয়া হয় আৰু কিয় বৈষম্য ৰখা হয় ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) : মই যি ৭টা পদ্ধতিৰ কথা কৈছো সেই মতে কাৰোবাক ২০০, কাৰোবাক ১৫০ আৰু কাৰোবাক ৫০ টকাকৈ দিয়া হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয়া : পুথিভঁৰালত অনুদান দিয়াত কিছুমান খেলি-মেলি আছে আৰু সেইবিলাক দূৰ কৰিবলৈ অসম পুথিভঁৰাল সংঘৰ তৰফৰ পৰা এখন আইন প্ৰনয়ণ কৰিবলৈ যি প্ৰস্তাৱ দিছে সেই সম্পৰ্কত চৰকাৰে কি ব্যৱস্থা কৰিছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) : পুথিভঁৰালৰ অনুদান সম্পৰ্কত কোনো খেলি-মেলি হোৱা নাই। এই বিলাক পঞ্চায়তৰ জৰিয়তে দিয়া হয়। তথাপি পুথিভঁৰাল সংঘই যি আইনৰ কথা কৈছে সেই কথাটো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীকবিৰ চন্দ্ৰ ৰয় প্ৰধানী : পুথিভঁৰালত কিতাপ দিয়া হয়। কিন্তু গাঁৱৰ পুথিভঁৰালৰ ঘৰৰ কাৰণে কি ব্যৱস্থা কৰিছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) : ঘৰৰ কাৰণে টকা দিয়াৰ ব্যৱস্থা নাই।

মঃ জালালুদ্দিন আহমেদ : ১৯৭২-৭৩ চনত এই পুথিভঁৰাল বিলাকত কিমান টকা দিয়া হৈছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : মই এইটো আগতেই কৈ আহিছো যে হিচাবটো মোৰ হাতত নাই কিন্তু লিষ্টখন আছে।

শ্ৰীমতী আনুৱাৰ টাইমুৰ : বেচৰকাৰী পুথিভঁৰাল অনুদান দিয়া হয় কিন্তু সেইবিলাক পৰিদৰ্শন কৰিবলৈ কিবা ব্যৱস্থা আছেনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) : হয় আছে। আমাৰ চচিয়েল এডুকেচন অফিচাৰ বিলাকে এইবিলাক পৰিদৰ্শন কৰে।

শ্ৰীপীটসিং কোঁৱৰ : পুথিভঁৰালত কিতাপ দিয়া হয় নে নগদ টকা দিয়া হয় ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ : নগদ টকাও দিয়া হয় আৰু কিতাপো দিয়া হয়।

মঃ আটাউৰ ৰহমান : ১৯৭২-৭৩ চনত পুথিভঁৰাল বিলাকত কিমান সাহায্য দিয়া হৈছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) : এইটো হিচাব মোৰ হাতত আছে, ব্লক হিচাবত আছে।

মিঃ স্পীকাৰ ঃ সেইটো আপুনি সদনৰ মেজত স্পেচ কৰিব।

শ্ৰীজগদীশ দাস ঃ মন্ত্ৰী মহোদয়ে কৈছে যে পুথিভঁৰালৰ কাৰণে যি অনুদান দিয়া হয় সেই বিলাক পৰিদৰ্শন কৰিবৰ কাৰণে চচিয়েল এডুকেচন অফিচাৰ আছে। কিন্তু এটা পুথিভঁৰালক বছৰত এহেজাৰ টকা দিয়া হয়। মই জানিব বিচাৰিছোঁ যে সেই টকাটোকে অনুসন্ধান কৰিবৰ কাৰণে তেওঁক বখা হৈছেনে নে তেওঁৰ অন্য কামো আছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) ঃ তেওঁৰ অন্য কামো আছে।

শ্ৰীসোনেশ্বৰ বৰা ঃ ১৪১৫ টকা পুথিভঁৰালৰ অনুদানৰ কাৰণে দিয়া হৈছে, কিন্তু এই পুথিভঁৰাল বিলাক জীয়াই আছেনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) ঃ পুথিভঁৰাল জীয়াই থকাৰ কাৰণেহে অনুদান দিয়া হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয়া ঃ মহকুমা বিলাকত যিবিলাক পুথিভঁৰাল আছে সেই বিলাক ভাৰা ঘৰত আছে তাৰ ঘৰৰ কাৰণে কিবা ব্যৱস্থা কৰা হৈছেনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( মন্ত্ৰী ) ঃ এইটো এটা নতুন প্ৰশ্ন।

Starred question No. 119 was not put and answered as the member was absent.

## বিঃ শিৱসাগৰ জিলা কেন্দ্ৰীয় বেঙ্ক

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

* ১২০। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) শিৱসাগৰ জিলা কেন্দ্ৰীয় বেঙ্ক কেতিয়া প্ৰতিষ্ঠা হ'ল ?

(খ) এই বেঙ্কৰ প্ৰধান কাৰ্য্যালয় আৰু শাখা কাৰ্য্যালয় জিলাখনৰ ক'ত আছে ?

(গ) বেঙ্কটো প্ৰতিষ্ঠাৰ পৰা এতিয়ালৈকে কোন কোন লোক এই বেঙ্কৰ সভাপতি হৈছে আৰু কোন কোন লোক সম্পাদক হৈছে ?

(ঘ) শিৱসাগৰ জিলা সমবায় কেন্দ্ৰীয় বেঙ্কৰ মূলধন কিমান আৰু ইয়াৰ অংশীদাৰ কিমানজন ?

(ঙ) উক্ত বেঙ্কটোৰ বৰ্তমানলৈকে লাভ বা লোকচান কিমান হৈছে ?

(চ) উক্ত বেঙ্কটোত যদি লোকচান হৈছে কি কি কাৰণত লোকচান হৈছে বুলি চৰকাৰে ভাবে বা বিবেচনা কৰিছে ?

(ছ) শিৱসাগৰ জিলা কেন্দ্ৰীয় বেঙ্কটোত কিমানজন ধৰুৱা আছে আৰু কোন কিমান টকাৰ ধৰুৱা আৰু কিমান ধৰুৱা খিলাপী হৈছে ?

(জ) এই বেঙ্কটোত এতিয়ালৈকে কিমান ধন (T.A.) টি, এত গৈছে ?

(ঝ) এই বেঙ্কটোত আগতীয়া ভ্ৰমণ ভাট্টা ( এডভান্স টি, এ ) কোনো বিষয় বৰীয়াক দিয়াৰ ব্যৱস্থা আছে নেকি আৰু যদি আছে এই ব্যৱস্থা এতিয়ালৈকে কোনে কিমানকৈ ভোগ কৰিছে জনাবনে ?

শ্ৰীগজেন তাঁতী ( সমবায় বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

১২০। (ক) ইংৰাজী ৫-২-৬৮ তাৰিখে।

(খ) প্ৰধান কাৰ্য্যালয় যোৰহাট, শাখা কাৰ্য্যালয় সমূহ (১) শিৱসাগৰ, (২) গোলাঘাট, (৩) তিতাবৰ, (৪) কমলাবাৰী ( মাজুলী ), (৫) বৰুৱা বামুণ গাওঁ, (৬) ডিমৌ আৰু (৭) যোৰহাট।

(গ) সভাপতিসকল ঃ

১। শ্ৰীনীলমণি ফুকন ২। শ্ৰীপিতাম্বৰ হাজৰিকা ৩। শ্ৰীতাৰিণী চৰণ শৰ্মা ৪। শ্ৰীঅপূৰ্ব কুমাৰ বৰুৱা।

সম্পাদকসকল ঃ

১। শ্ৰীহৰেণ শৰ্মা ২। শ্ৰীভবেন চন্দ্ৰ গোস্বামী ৩। শ্ৰীধৰণীধৰ কটকী।

(ঘ) মূলধন টকা ৯,৭৫,০০০ অংশীদাৰ ৫৮৫ জন।

(ঙ) ১৯৭০-৭১ চন পৰ্য্যন্ত মুঠ ৬,৪৬,৮১৭.৯৭ টকা লোকচান হৈছে। ১৯৭১-৭২ চনত লাভ হয় ৫০,২৭৩.৬৮ টকা।

(চ) কেন্দ্ৰীয় সমবায় বেঙ্কে এপেক্স বেঙ্কৰ পৰা টকা ধাৰলৈ আনিহে প্ৰাথমিক ঋণদান সমিতি বিলাকক ঋণ দিয়ে। এই ঋণৰ ওপৰত আদায় হোৱা সুদৰ টকা এপেক্স বেঙ্কক সুদ হিচাপে দিব লাগে। মাত্ৰ শতকৰা নিৰিখে তুটকাহে কেন্দ্ৰীয় বেঙ্কে ৰাখিব পাৰে। এইদৰে পোৱা সুদৰ টকাৰে কেন্দ্ৰীয় বেঙ্কে সকলো খৰচ চলাব লাগে। ১৯৭০-৭১ চনলৈকে আদায় হবলগীয়া সুদ সম্পূৰ্ণৰূপে আদায় নোহোৱাৰ কাৰণে বেঙ্কে লোকচান ভৰিব লগীয়া হৈছে যিহেতুকে আদায়কৃত সুদৰ পৰা বেঙ্কৰ যাৱতীয় সকলো খৰচ পূৰণ হোৱা নাছিল।

(ছ) মুঠ ৪২৫ খন সমিতি এই বেঙ্কটোৰ ধৰুৱা আৰু এই সমিতি সমূহৰ পৰা ৭৯৬৯ জন ব্যক্তিগত সভ্যই ধাৰ লৈছে। এই ৭৯৬৯ জন ধৰুৱাৰ ভিতৰত ৬৭৩৯ জন ধৰুৱাই ধাৰ খিলাপী কৰিছে। ৩০-৬-৭৩ তাৰিখে খিলাপী ধাৰৰ পৰিমাণ ৪৮,৯৩,০০০·০০ টকা।

(জ) ১৯৬৭-৬৮ চনৰ পৰা ৩১-৩-৭৩ পৰ্য্যন্ত মুঠ ৫৪,৬৯০·৯০ টকা ভ্ৰমণ ভাত্তাত খৰচ হৈছে।

(ঝ) বেঙ্কৰ বিষয় ববীয়াক আগতীয়া ভ্ৰমণ ভাত্তা দিয়াৰ ব্যৱস্থা আছে। এই ব্যৱস্থা মতে বেঙ্কৰ সভাপতি, উপ-সভাপতি আৰু অন্যান্য বিষয় ববীয়াক আগতীয়া ভ্ৰমণ ভাত্তা দিয়া হয়। ১-৭-৭২ তাৰিখৰ পৰা ৩১-১২-৭২ তাৰিখলৈকে আগতীয়া ভ্ৰমণ ভাত্তা সভাপতিক ২,৯০০·০০ টকা আৰু উপ-সভাপতিক ৭৫৫·০০ টকা দিয়া হৈছিল।

শ্ৰীসোণেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, এই যে আগতীয়াকৈ ভ্ৰমণ ভাট্টা লৈছিল, সেইটো যি কাৰণত লৈছিল— সেইটোৰ টকা ঘূৰাই দিবলগীয়া হৈছিল নেকি বা বাকী আছে নেকি ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, টকা ঘূৰাই দিবলগীয়া হোৱা নাই।

শ্ৰীসোণেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, প্ৰশ্নোত্তৰ (ঙ)ত ৬ লাখ টকা লোকচান হোৱা বুলি এইটো কেলেই হ'ল জনাবনে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ লোকচান কিয় হৈছে সেইটো (চ)ৰ প্ৰশ্নোত্তৰত বিতংকৈ ব্যাখ্যা দিয়া হৈছে।

শ্ৰীসোণেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, (ঝ)ৰ প্ৰশ্নোত্তৰত ২,৯০০,০০ টকা আগতীয়াকৈ ভ্ৰমণ ভাট্টা একেলগে এটা ভ্ৰমণৰ বাবে লৈছিল নে বহুতো ভ্ৰমণৰ বাবে লৈছিল ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, (ঝ)ৰ প্ৰশ্নোত্তৰত কোৱা হৈছে যে ১-৭-৭২ তাৰিখৰ পৰা সভাপতিয়ে ২,৯০০,০০ টকা আৰু উপ-সভাপতিয়ে ৭৫৫,০০ টকা আগধন লৈছিল।

শ্ৰীসোণেশ্বৰ বৰা ঃ এইটো ছমাহৰ কাৰণে আগধন লৈছিল নে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ এইটো ভ্ৰমণ বানচ হিচাবে লৈছিল।

শ্ৰীসোণেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, ১-৭-৭২ তাৰিখৰ পৰা ৩১-১২-৭২ তাৰিখলৈকে ৬ মাহ বা ৫ মাহৰ বাবে আগতীয়াকৈ লব পৰা ব্যৱস্থা আছে নেকি ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ যেতিয়া ভ্ৰমণৰ বাবে যাবলগীয়া হয়, তেতিয়া সম্পূৰ্ণ টকা নললেও কিছু আগধন লৈ যোৱাৰ ব্যৱস্থা আছে।

শ্ৰীঅতুল শইকীয়া ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে শিৱসাগৰ জিলাৰ কেন্দ্ৰীয় ৰিৰ্জাভ বেঙ্কক এপেক্স বেঙ্কে কিমান টকা দিবলগীয়া আছে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ সেইটো হিচাব এতিয়া মোৰ হাতত নাই।

শ্ৰীঅতুল শইকীয়া ঃ লাভ কৰা বছৰি পাবলগীয়া সুতৰ টকাটো জমাৰ ঘৰত বেলেন্সচিটত টুৰিচিভড্ দেখুৱাই এচেচ কৰা কথাটো সঁচা নে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ সেইটো চাব লাগিব।

শ্ৰীকবীৰচন্দ্ৰ ৰায়প্ৰধানী ঃ এই বেঙ্কত ৪৮ লাখ ৯৫ হেজাৰ খিলাপী হৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই খিলাপী অকল শিৱসাগৰ জিলাতেই হৈছে নে আন ঠাইতো হৈছে ? যদি হৈছে তেন্তে এই খিলাপী কিয় হৈছে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ এইটো কিয় হৈছে সেইটো অনুসন্ধান কৰিছে— কিন্তু এতিয়া মোৰ হাতত বিতং খবৰ নাই।

শ্ৰীতুলালচন্দ্ৰ বৰুৱা ঃ যেতিয়া আগধন লৈ যাবলগীয়া হয় তেতিয়া সেইটোৰ ভ্ৰমণ তালিকা দিব লাগে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যিজন সভাপতিয়ে তেখেতৰ গোটেই ছমাহৰ কাৰণে আগধন লৈ তেওঁৰ বিয়াত খৰছ কৰিছে— সেইকথা মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ সেইটো মই অনুসন্ধান কৰি চাম।

শ্ৰীতুলালচন্দ্ৰ বৰুৱা ঃ তেখেতে বিভিন্ন সময়ৰ চহী লৈছে সঁচা, কিন্তু ফাইনেনচিয়েল ৰোল ভায়লেট কৰি গোটেই টকা একে সময়তে লৈ নিজৰ বিয়াত গোটেই টকা খৰছ কৰিছে, এইটো চৰকাৰে জানেনে নেজানে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মই আগতেই কৈছে যে সেইটো অনুসন্ধান কৰি চাব লাগিব।

শ্ৰীনগেন বৰুৱা ঃ অধ্যক্ষ মহোদয়, এই ৯ লাখ টকাৰ ভিতৰত ৬ লাখ লোকচান, বাকী আছে মাত্ৰ ৩ লাখ টকা। এই অঞ্চলৰ ভৱিষ্যতলৈ চাই চৰকাৰে কিবা এটা আশা কৰিছেনে? আৰু তাৰ দ্বাৰা শিৱসাগৰ জিলাৰ ৰাইজৰ কিবা লাভ হব বুলি চৰকাৰে ভাবেনে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, ১৯৭১-৭২ চনত যেনেকৈ চলিছিল, ঠিক তেনেকৈয়ে চলিব।

শ্ৰীঅতুল শইকীয়া ঃ আমাৰ জিলা পৰ্য্যায়ত যিবিলাক কেন্দ্ৰীয় বেঙ্ক সৃষ্টি হৈছে— সেই বিলাকৰ অৱস্থা একেবাৰে বেয়া। সেই বেঙ্কৰ উদ্দেশ্য আছিল কৃষিজীবি লোকসকলক খেতিৰ কাৰণে ধন ধাৰে দিয়া। এনে অৱস্থাত বছৰি বছৰি এই বেঙ্ক বিলাকৰ মাজত চৰকাৰে কৃষি, ঋণ উঠাই দিয়াৰ সম্পৰ্কে কিবা বিবেচনা কৰিছেনে ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ উঠাই দিয়া কথাটো চৰকাৰৰ দৃষ্টিগোচৰ হোৱা নাই। যোৱা বাজেট অধিবেশনত এই বেঙ্ক বিলাকৰ সম্পৰ্কে বিষদ বিৱৰণ দিয়া হৈছিল আৰু তেতিয়া বেঙ্কে ৰি-অৰ্গেনাইজ কৰা কথাটো চিন্তা কৰিছিল— এতিয়া ৰিৰ্জাভ বেঙ্কৰ লগত সেই বিষয়ে আলোচনা-বিলোচনা চলি আছে।

শ্ৰীআতাউৰ ৰহমান ঃ এই সভাপতিজন তেওঁৰ ভ্ৰমণ বানচ গ্ৰহণ কৰাৰ সময়ত বিবাহিত আছিল নে অবিবাহিতা আছিল ?

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) ঃ সেই সময়ত অবিবাহিত আছিল।

## Undisposed Question of 30th November, 1973

## বিঃ ফৰকাটিং হাইস্কুললৈ ঋণ মঞ্জুৰী

শ্ৰীসোণেশ্বৰ বৰাই সুধিছে ঃ

* ১২১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাট ফৰকাটিং হাইস্কুললৈ যোৱা বছৰ প্ৰায় ১০ হেজাৰ টকাৰ ঘৰ সজাৰ ঋণ হিচাবে মঞ্জুৰী কৰা হৈছিল নে?

(খ) এই ঋণ স্কুলখনলৈ আজিলৈকে নপঠোৱাৰ কাৰণ কি ?

(গ) ফৰকাটিং স্কুলখনৰ আজিকোপতি এই ঋণৰ টকা নোপোৱাত স্কুলৰ ঘৰ-দুৱাৰ জৰাজীৰ্ণ অৱস্থাৰ পৰা তাৰণৰ উপায় হেৰাই গৈছে বুলি চৰকাৰে নেভাবেনে ?

(ঘ) যদি ভাবে তেন্তে ঋণ টকাখিনি স্কুলখনলৈ সোনকালে পঠিয়াই স্কুলখনৰ আশু উন্নতিৰ কামনা কৰা হবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( শিক্ষা বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

১২১। (ক), (খ) ঋণ মঞ্জুৰী কমিটিয়ে এই হাইস্কুলৰ ঘৰ সাজিবলৈ ১০ হেজাৰ টকাৰ ঋণ দানৰ এটি পৰামৰ্শ আগবঢ়াইছিল। কিন্তু এই স্কুলৰ ঋণ নামাখনত ত্ৰুটী থকাত যোৱা বছৰত উক্ত স্কুলখনক ঋণ দিব পৰা নহল।

(গ) ঋণ নোপোৱাত স্কুলখনৰ অসুবিধা হৈছে বুলি চৰকাৰে জানে আৰু সেই কাৰণেই ঋণ মঞ্জুৰৰ বাবে পৰামৰ্শ দিয়া হৈছিল।

(ঘ) হয় হব। ত্ৰুটী মুক্ত ঋণ নামাখন ইতিমধ্যে ঘূৰাই পাই আৰু সেইখন শিক্ষাধীকৰ্তাৰ জৰীয়তে Registration কৰাৰ বাবে কৰ্তৃপক্ষলৈ পুনৰ পঠোৱা হৈছে। এইখিনি কাম হলেই উক্ত স্কুলখনক ঋণৰ টকা দিব পৰা হ'ব।

## UNSTARRED

### Questions And Answers

( To which replies were given or each Members table except No. 13 )

Date : 30th November, 1973

### বিঃ বি, টি, কলেজৰ প্ৰশিক্ষাৰ্থীৰবৃত্তি

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে ঃ

১৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৰহাট বি, টি, কলেজৰ প্ৰশিক্ষাৰ্থী সকলে বৃত্তি পোৱাৰ ব্যৱস্থা বিভাগীয় নিয়মত আছেনে ?

(খ) যদি আছে, তেনেহলে যোৰহাট বি,টি, কলেজৰ শ্ৰীমতী উৰ্মিলা গগৈ নামৰ শিক্ষাৰ্থী গৰাকীয়ে কিয় কোনো বৃত্তি পোৱা নাই জনাবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( শিক্ষা বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

১৩। (ক)—হয় আছে।

(খ)—শ্ৰীমতী উৰ্মিলা গগৈৰ নাম বাচনিত পৰা নাছিল।

শ্ৰীসোনেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, বি,টি কলেজৰ এই উৰ্মিলা নামৰ ছোৱালী জনী সময়মতে আবেদন কৰা স্বত্বেও চৰকাৰে বৃত্তি দিবলৈ অস্বীকাৰ কৰা কথাটো সচা নে ?

শ্ৰীগজেন তাঁতী ঃ অধ্যক্ষ মহোদয়, অস্বীকাৰ কৰা নাই। আমাৰ যিমান দৰ্খাস্ত আছিল সকলো দৰ্খাস্তকাৰীকে বৃত্তি দিব পৰা নাই আৰু দৰ্খাস্তকাৰীক বৃত্তি দিবৰ কাৰণে আমি বাচনি কৰিছিলো— বাচনিটো আছিল এই— যিসকলে নম্বৰ বেছি পায় তেওঁলোকক দিয়া হৈছিল। সেইমতে কমেও শতকৰা ৩৯ ভাগ নম্বৰ পোৱা লোককহে দিয়া হৈছিল, কিন্তু এই ছোৱালীজনীৰ নম্বৰ আছিল মাত্ৰ শতকৰা ৩৭ ভাগ।

Mr. Speaker : The question have is over. Now Mr. Abdur Rahman Chaudhury will put up his Short Notice question.

*Re :* **Departmental Vehicle of A.T.P.P. Fund Office**

Shri JAGANNATH SINHA asked :

14. Will the Minister, Labour be pleased to State—

(a) How many departmental vehicles are maintained by the A.T.P.P. Fund Office ?

(b) What is the total amount involved in purchase and maintenance of these vehicles ?

(c) For what specific purpose these vehicles are used ?

(d) Total mileage covered by these vehicles and the cost of petrol ( yearwise for the last 3 years ) ?

Shri GAJEN TANTI ( Minister, Labour ) replied :

14. (a)— The A.T.P.P. F. Scheme maintains 4 ( four ) vehicles.

(b)—(i) The total amount involved in purchase is Rs,81,809.

(ii) The total amount involved in maintenance and replacement of the parts is Rs. 19,820 since purchased.

(c)—The vehicles are meant for the specifice purposes of tour by the Officers in connection with Provident Fund, Insurance and Pension matters including visits to the gardens for disbursement, inspection of accounts, etc., visits to Field offices and Court cases and regular daily movement involved in postal and bank transactions and speedy disposal of urgent matters with various departments of the Government.

(d)—The approximate mileage covered and the cost of petrol year-wise for last 3 years are given below :—

| | 1970-71 | 1971-72 | 1972-73 |
|---|---|---|---|
| Cost of Petrol | Rs. 7,953 | Rs. 10,633 | Rs. 10,402 |
| Mileage covered (approx.) | 30,812 | 31,896 | 31,200 Miles |

## SHORT NOTICE

**Questions and Answers**

( To which oral replies were given )

Date : 30th November, 1973

*Re* : **Pension Case**

SHRI ABDUR RAHMAN CHOUDHURY asked :

1. Will the Chief Minister be pleased to state :

(a) Whether it is a fact that A.G., Assam and Nagaland etc. sent a letter on the 16th October, 1970 asking for some Clarification regarding the pension case of Shri Kripendra Kumar Dey, Retd. Sub-Engineer P. W. D. ( F. C. & I. ) Department and subsequently sent reminders numbering 4, amongst which 3 are D.O. letters, dated 30th December 1970, 3rd July 1971, 27th November, 1971 and 1st May 1972 to the Finance (A. P. F.) Department and the Secretary, P. W. D. (F. C. & I.) Department, also requested the same Department by 4 letters, dated 21st December 1971, 29th April 1972, 16th May 1972 and 25th February 1973 for the finalisation of Shri K. K. Dey's pension case at a vary early date ?

(b) If so, what is the reason of the Finance (A.P.F.) Department to ignore the A.G., Assam etc. and the Secretary, P.W.D. (F. C. & I.) Department and maintained complete silence over matter for last long three years ?

SHRI SARAT CHANDRA SINHA (Chief Minister) replied :

1. (a) Yes, A. G.'s, letters dated 16th October, 1970 dated 30th December, 1970 dated 3rd July 1971 and dated 27th November 1971 and Secretary, P. W. D. (F. C. & I.) Departments letters dated 29th April 1972 and 16th May 1972 were received. Other letters have not been received.

The Accountant General has informed of the Government decision in respect of the pension matter of Shri Kripendra Kumar Dey, retired Overseer.

(b) Does not arise in view of reply to (a) above.

Shri Abdur Rahman Choudhury : May I know from the Chief Minister what more time would be necessary for the Government to finalise the matter ?

Shri Sarat Chandra Sinha (Chief Minister) : The matter has been finalised and the Government has informed the Accountant General that the period for which he wants pension cannot be calculated as pensionable period.

Shri Dulal Chandra Barua : Sir, this case is pending only for decades causing great hardship to the pensioners. May I know in view of that whether any special steps have been taken by the Government for early disposal of pension cases ?

Shri Sarat Chandra Sinha (Chief Minister) : Sir, I quite appreciate the anxiety of the Hon'ble Members, that is my anxiety too. We like to see that when a Govt. servant

retires at the old age he gets his pension immediately, but as the financial rules and other procedures stand on the way it is not always possible to do so. We are trying to straighten all these matters.

Shri Dulal Chandra Barua : Whether the Government is proposing to amend the financial rules for removing the diffflculties of the pensioners ?

Shri Sarat Chandra Sinha ( Chief Minister ) : In some cases the rules will have to be amended ; but in case of pension it is not always the rules that stand on the way, it is sometimes for the information that is to be collected from the Departments.

Shri Dulal Chandra Barua : Sir, in most cases the Finance Department genrally desires the cases. Whether thie could be decentralised ?

Shri Sarat Chandra Sinha ( Chief Minister ) : I have already stated that the rules are there. The rules do not stand on the way so much, there are also procedural matters which are sometimes time consuming. If for example one officer serves in different departments information will have to be collected from different departments regarding leave, pay etc. The collection of such matters creates trouble and leads to delay.

Shri Atul Saikia : Sir, the Chief Minister has stated that deley is not due to A.C.S objection but because of the non-maintenance of the service books in a proper way. Will the Chief Minister please assure the House that he will issue instructions to all the Heads of Departments that service

books should be maintained regularly and properly and the employees concerned is given a cheek their Service Books once every year.

Shri Sarat Chandra Sinha (Chief Minister): Sir, that is a new question.

Shri Abdur Rahman Choudhury: May I know if such a similar case was ever decided?

Shri Sarat Chandra Sinho (Chief Minister): As far as I remember a similar case was decided. That was the case of Shri Mahanta. His case a little different. Shri Kripenira Kumar Dey was an work-charged overseer. Subsequently he had been taken to a subatantive post. But in the case of Shri Mahanta he was in a substantive post but in the public interest he was taken as work-charged officer. afterwards he was again taken to a substantive post.

Therefore the period he was a work charged officer was taken as regular service.

শ্ৰীজগদীশ দাস: মাননীয় অধ্যক্ষ মহোদয়, এই পেন্সনৰ কথাটো বহুত দিনৰ পৰাই হৈ আছে। পিয়নৰ পৰা আৰম্ভ কৰি চেক্ৰেটাৰীলৈকে সকলো শ্ৰেণীৰ লোকে এই পেন্সনৰ ক্ষেত্ৰত অসুবিধা ভোগ কৰিব লগা হয়। সেই কাৰণেই এই অসুবিধা বিলাকৰ পৰা আমাৰ কৰ্ম্মচাৰী বিলাকক মুক্ত কৰিবৰ কাৰণে ইয়াৰ কাৰণে এটা সুকীয়া বিভাগ খুলি দি পেন্সনৰ কাম কৰোৱাৰ ব্যৱস্থা আমাৰ চৰকাৰে কৰিবনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে বেলেগ এটা বিভাগ খোলাৰ কথাটো নহয়। আগতে বিভিন্ন বিভাগৰ পৰা খবৰ খাতি বোৰ লোৱাত সেই বিলাক ঠিক সময়ত নোপোৱাৰ কাৰণে পেন্সনৰ কাম বিলাকত অলপ পলম হয়। বিষয়া এজনৰ পেন্সনৰ ছমাহৰ আগতেহে কামবিলাক আৰম্ভ কৰা হৈছে।

কিন্তু এতিয়া পেন্সনৰ এবছৰ বা দুবছৰৰ আগৰে পৰা এই পেন্সনৰ কাম বিলাক আৰম্ভ কৰিবলৈ ভৱা হৈছে যাতে পেন্সনৰ আগতেই গোটেই কাগজ পত্ৰ বিলাক তৈয়াৰ কৰিব পৰা যায় আৰু যাতে পেন্সনৰ লগে লগেই এই পেন্সনৰ সকলো বিলাক কাম কৰিব পাৰি। এইবিলাক বিষয়ে পৰীক্ষা নীৰিক্ষা আদি কৰি থকা হৈছে।

## CALLING ATTENTION

Smti. Pranita Talukdar : Mr. Speaker, Sir under Rule 54. I beg to call the attention of the Chief Minister to the news item appearing in the Dainik Asom dated 1oth November, 1973, under the caption" Assamiya Aru Naga Raijar Niza Udyugat Santi Sukti".

Shri Sarat Chandra Sinha ( Chief Minister ): Mr. Speaker, Sir, in reply to the Calling Attention to the news item published in Dainik Asom on the 10th November 1973, under the caption "Assamiya Aru Naga Raijar Niza Udyugat Santi Sukti" I beg to submit the following before the House.

According to information available with the Govt. One Shri Phatik Chandra Bhuyan is acting as convener of the Assam Nagaland Border Peace Convention Council, Merapani. The Peace Convention was reportedly once held on 20.9.73 under presidentship of one Mr. Morithang Botha of Bhandari. In this meeting they decided by a resolution to hold another General meeting on the 18th October, 1973. at Merapani. The peace Convention was hold at Merapani on 18th October, 1873, under the presidentship of one Mr. Sombomo Lotha of Bahndari ( Nagaland ). The meeting was reportedly attended by Nagas and non-Nagas living in Assam and Nagaland border. The purpose of the meeting appears to be to bring

about friendly relations between the Naga and non-Nagas living in the border. Nine resolutions appear to have been adopted in this meeting. Shri Phatik Chandra Bhuyan, by a letter of 31st October, 1973, sent, as General Secretary of Assam and Nagaland Border peace Council, copy of these nine resolutions to the Deputy Commissioner, Sibsagar. From the resolutions it does not appear that any agreement between Nagas and non-Nagas was signed in the meeting as has been stated in the news-item. The situation arising out of this is under careful watch of the Government.

শ্ৰীসোনেশ্বৰ বৰা : মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা জানিব খুজিছো যে, ফটিক চন্দ্ৰ ভুঞা নামৰ যিজন শান্তি কমিটিৰ স্থায়ী চেক্ৰেটাৰী হৈছে সেই মানুহজনে এই মিটিংখন পাতিবলৈ যি চিঠি লিখিছিল, আৰু সেই চিঠি লিখোতে যি ৰাইটিং পেদ ব্যৱহাৰ কৰিছিল, সেই পেদত এই ধৰণে লিখা আছিল :

The Assam and Nagaland Border Peace Convention Committee approved by Nagaland Government; Secretary-Fatik Chandra Bhuyan, B.A. author of Bangladesh Liberation Movement, Merapani, P.O. Golaghat, Assam. আৰু সেই চিঠিখনত তেখেতে লিখিছিল, যে ২৮-১০-৭৩ তাৰিখে মেৰাপানীত উভয় ৰাজ্যৰে উপযুক্ত দুজন উপস্থিত থাকিব আৰু সকলো ৰাইজে যোগ দিব লাগিব। এইটো কথা চৰকাৰে জানে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) : এই খবৰ মোৰ হাতত নাই মই অনুসন্ধান কৰিব লাগিব।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : অধ্যক্ষ মহোদয়, এনে ধৰণৰ এটা দেলিকেত কথা

চৰকাৰৰ লগত আলোচনা বিলোচনা কৰি কৰিলে ভাল হব বুলি চৰকাৰে অনুমান নকৰেনেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই বৰুৱা ডাঙৰীয়াৰ লগত একমত।

শ্ৰীসোনেশ্বৰ বৰা ঃ অধ্যক্ষ মহোদয়, নগালেণ্ড চৰকাৰে এপ্ৰুভ কৰা বুলি লিখা ৰাইটিং পেদ অসমৰ ভূমিত ব্যৱহাৰ কৰিছে। ইয়াৰ ওপৰিও কেন্দ্ৰীয় উপ মন্ত্ৰী শ্ৰীবেদব্ৰত বৰুৱাকো যোৱা ১০ তাৰিখৰ বাতৰিত কোৱা হৈছে যে, এই সম্পৰ্কে এখন স্মাৰক পত্ৰ তেখেতকো দিয়া হৈছে। গতিকে এই সকলো কথা আমাৰ চৰকাৰে চালিজাৰি চাব লাগিব। নগালেণ্ড চৰকাৰে এপ্ৰুভ কৰা ৰাইটিং পেদ ব্যৱহাৰ কৰা মানুহজন অসমৰ আৰু এইটো অসম চৰকাৰে এপ্ৰুভ কৰা নাই গতিকে এই মানুহজন নগালেণ্ড চৰকাৰৰ এজেন্টো হব পাৰে। এই কথাটো চৰকাৰে নাভাবেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো কথা মই অনুসন্ধান কৰি চাব লাগিব।

## MATTER UNDER RULE 301

Shri Chatra Sing Teron, (Minister) : Sir, regarding item No. 3 may I make a submission. Sir, the notice was received by me on 28th evening and I have tried my best to collect the necessary information but unfortunately whatever information is given to me, I feel that information is not complete and further information is necessary. So I appeal that the information with me is incomplete and, therefore, I may be permitted time for submission of the information.

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ অধ্যক্ষ মহোদয়, যিমানখিনি আছে সিমানখিনি দিলেও হ'ব। পিচত সকলোখিনি একেলগে দিলে ভাল হ'ব।

Mr. Speaker : It will be taken up some time next week. Item No.4

## PRIVATE MEMBERS' RESOLUTION

*শ্রীলীলা কান্ত দাস ঃ মাননীয় অধ্যক্ষ মহোদয়' ১৯৭৩ চনৰ ১৬ জুলাইৰ দিনা অসম বিধান সভাৰ সদস্য মাননীয় দাস ডাঙৰীয়াই যি প্ৰস্তাৱ দাঙি ধৰিছে সেই প্ৰস্তাৱটো আছিল, "ভাৰতৰ অইন কিছুমান প্ৰদেশত প্ৰৱৰ্তন কৰাৰ দৰে আমাৰ অসমৰ জনজাতি লোক সকলৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ উন্নতিৰ বাবে ছাত্ৰাবাস স্থাপন কৰিবলৈ সদনে চৰকাৰক অনুমোদন জনায়।

উপাধ্যক্ষ মহোদয়, মই এই প্ৰস্তাৱটো সমৰ্থন কৰিছো আৰু ইয়াতে মই এটা সংশোধনীও ডাঙি ধৰিব বিচাৰিছো— যে জনজাতি লোকসকলৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ উন্নতিৰ বাবে ছাত্ৰাবাস স্থাপন কৰিব লাগে। এই প্ৰস্তাৱটো মই সমৰ্থন কৰিছো। এই সংশোধনীটো গ্ৰহণ কৰিবৰ কাৰণে এই সংশোধনীৰ সন্দৰ্ভত মই মাত্ৰ দুআষাৰ মান কথা কবলৈ বিচাৰিছো।

শ্ৰীলীলা কান্ত দাস ঃ উপাধ্যক্ষ মহোদয়, এটা জাতিৰ মূলবস্তু হৈছে শিক্ষা। এটা জাতিৰ সকলো দিশ গঢ়ি তুলিব পাৰে, এই শিক্ষাই। বিশেষকৈ বিজ্ঞান সন্মত যুগত শিক্ষা নহলে এটা জাতি কেতিয়াও উন্নত জাতিত পৰিণত হ'ব নোৱাৰে। গতিকে উপাধ্যক্ষ মহোদয়, সমাজৰ বিভিন্ন স্তৰত, বিভিন্ন অঞ্চলত যদি সকলো মানুহে প্ৰয়োজনীয় শিক্ষা লাভ কৰিবলৈ সন্তৱপৰ নহয়. তেনেহলে সেই অঞ্চলৰ আৰু সেই সম্প্ৰদায়ৰ মানুহবোৰে কেতিয়াও উন্নতিৰ বাটত আগবাঢ়িব নোৱাৰে। মহোদয়, এই ব্যৱস্থাটো অংশতে মধ্য যুগতে আছিল। মধ্য যুগত বিশেষকৈ আমাৰ ভাৰতবৰ্ষত শিক্ষা পৰিচালনাৰ ব্যৱস্থা আছিল. ৰজা, মহাৰজা, পুৰোহিত আৰু অন্যান্য কিছুমান অভিজাত পৰিয়ালৰ ক্ষেত্ৰত। মধ্য যুগৰ পৰা আৰম্ভ কৰি বৃটিছ যুগলৈ আমাৰ দেশৰ শিক্ষা জনসাধাৰণৰ শিক্ষা হিচাবে পৰিচালিত শিক্ষা নাছিল। বৃটিছৰ যুগত বৃটিচ শাসন প্ৰৱৰ্ত্তন কৰিবৰ কাৰণে বিশেষকৈ ভাৰতবৰ্ষৰ মানুহে যাতে ইংৰাজী ভাষা শিকিব পাৰে তাৰ কাৰণে কিছুমান শিক্ষা অনুষ্ঠান খোলা হৈছিল। আৰু এইদৰে কিছুমানুহক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল।

উপাধ্যক্ষ মহোদয়. আমাৰ দেশে স্বাধীনতা লাভ কৰাৰ পিছত মানুহে যে সকলো বিষয়ৰে জ্ঞান লাভ কৰিব লাগে আৰু মানুহক যে সকলো ৰকমৰ শিক্ষাৰ প্ৰয়োজন। সেই কথা সকলো মানুহে ভালকৈ উপলব্ধি কৰিছে। এইটো উপলব্ধি কৰাৰ পিছত আমাৰ দেশখনৰ সকলো জনসাধাৰণে শিক্ষাৰ প্ৰতি এটা অনুভূতি

মনত লৈ দেশৰ চুকে কোনে সকলো ঠাইতে শিক্ষাৰ সম্প্ৰসাৰণ কৰিবৰ কাৰণে শিক্ষানুষ্ঠান খুলি শিক্ষা লাভ কৰাৰ ব্যৱস্থা কৰিছে। আৰু এই ক্ষেত্ৰত চৰকাৰে পাৰ্য্যমানে সকলো ক্ষেত্ৰতে জনসাধাৰণৰ শিক্ষাৰ প্ৰতি যেনে ধৰণে পাবে সহায় দিয়াৰ চেষ্টা কৰিছে। মহোদয়, এই শিক্ষা স্বাধীনতা লাভ কৰাৰ পাছৰ শিক্ষা। আজিৰ শিক্ষা হৈছে জনতাৰ শিক্ষা। আৰু এই শিক্ষা সম্পূৰ্ণ ৰাষ্ট্ৰীয় ভিত্তিত। যেতিয়ালৈকে এই শিক্ষা নীতি প্ৰৱৰ্ত্তন নহব, যেতিয়ালৈকে আমাৰ ৰাজ্যৰ বা আমাৰ দেশত থকা সকলো মানুহে সমানভাৱে শিক্ষাৰ সুবিধা গ্ৰহণ কৰিবলৈ সুযোগ নাপাব তেতিয়ালৈকে আমাৰ ৰাজ্যৰ প্ৰতি যি বৰঙণি দিব লাগিব সেই বৰঙণি দিয়া টান হব আৰু স্বাধীন দেশৰ নাগৰিক হিচাবে বৰঙণি দিয়াৰ পৰা বিৰত থাকিব।

সেই কাৰণেই আজি আমাৰ শিক্ষা বিষয়টোত বিশেষ ভাৱে সকলোৰে মনোযোগ দিয়া প্ৰয়োজন। আমাৰ ভাৰতবৰ্ষখনত বিভিন্ন ধৰণৰ বিভিন্ন সম্প্ৰদায়ৰ বিভিন্ন জাতি, বিভিন্ন উপজাতিয়ে বসবাস কৰিছে। আজি আমি ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰীয় নীতি গ্ৰহণ কৰিছো। সকলো মানুহৰেই সমান অধিকাৰ, সমান দায়িত্ব সংবিধানে দিছে। আৰু আমি গ্ৰহণ কৰিছো সমাজতান্ত্ৰীক সমাজৰ অৰ্থনীতি এই অৰ্থনীতি যেতিয়া আমি গ্ৰহণ কৰিছো এই অৰ্থনীতি আমাৰ যি বিলাক অনুন্নত মানুহ আছে, যি বিলাক পিছপৰা সম্প্ৰদায় জাতি আছে সেই বিলাক যদি অনুসূচীত জাতি, জনজাতি আছে সেই বিলাকক যদি আগবঢ়াই আনিব পৰা নাযায় তেনেহলে আমি উন্নত জাতিত পৰিণত হব নোৱাৰিম। আৰু অৰ্থনৈতিক দিশত সমাজতান্ত্ৰিক গঠন কৰাটোও সম্ভৱপৰ নহব। যদি শিক্ষাৰ দিশত আমি আগবাঢ়ি যাব নোৱাৰো, বিজ্ঞানৰ দিশত আগবাঢ়ি যাব নোৱাৰো তেনেহলে প্ৰগতিশীল পৃথিৱীত আমাৰ যিবিলাক দেশে পিচপৰি আছে, যিবিলাক সমাজ পিচপৰি আছে সেইবিলাক আগবাঢ়ি যাব পৰাটো সম্ভৱপৰ নহয়।

উপাধ্যক্ষ মহোদয়, আমি স্বাধীনতা লাভকৰাৰ আজি ২৬ বছৰ হ'ল। এই ২৬ বছৰত আমাৰ দেশ বিভিন্ন দিশত আগবাঢ়ি গৈছে। আমি দেখিছো যে দেশত অন্যায় উৎপীৰণ চলিছে যদিও দেশ দ্ৰুত গতিত উন্নতিৰ পথত আগবাঢ়ি গৈছে। কিন্তু উপাধ্যক্ষ মহোদয় আমাৰ দেশৰ বিৰাট এক জনগোষ্ঠী অনুসূচীত জাতি, অনুসূচীত জনজাতি এই সম্প্ৰদায়টো স্বাধীনতাৰ ২৬ বছৰৰ পিচতো তেওঁলোকে যি ভাৱে আগবাঢ়িব লাগিছিল, তাৰ যদি তুলনা কৰি চাও তেওঁলোক আগবাঢ়ি

যোৱা নাই। দুখৰ বিষয় যি বিলাক অনুসুচীত জাতিৰ লোক আছে, যি বিলাক অনুসূচীত জনজাতিৰ লোক আছে সেই বিলাক অধোগতিও হৈছে। তেওঁলোকে স্বাধীনতা জয় লাভ কৰাৰ পিচত যি অৱস্থাত আছিল আজিও সেই অৱস্থাতে থাকিব লগীয়া হোৱা কথাটোৱে এটা গুৰুত্বপূৰ্ণ সমস্যা হৈ উঠিছে। তেওঁলোকৰ মাজত হতাশ, হুমুনিয়াহ, হাহাকাৰ; তেওঁলোকে আজি আনৰ মুখলৈ চাব-লগীয়া হৈছে। আমি চকুৰ আগতে দেখিবলৈ পাইছো যে তেওঁলোকৰ সৰহ সংখ্যক মানুহ নিস্পেষিত হৈ আছে। এই সকল লোকৰ কাৰণে আমাৰ চৰকাৰৰ যি অনুভূতি জাগি উঠিব লাগিব সেই অনুভূতি জাগি উঠা নাই। আমাৰ যি বিলাক পিচপৰা মানুহ আছে, আমাৰ যি বিলাকৰ অৱস্থা বেয়া যি বিলাকৰ কোনো আদৰ্শ নাই সেই সকলক আগবঢ়াই আনিবলৈ আমাৰ চৰকাৰে যি বিলাক ব্যৱস্থা লাগে তাৰ বাবে আমাৰ চৰকাৰৰ যি সচেতনতাৰ প্ৰয়োজন সেই সচেতনতা আমাৰ চৰকাৰৰ নাই। সেই কাৰণেই আমি যেতিয়া এটা নীতি, এটা আদৰ্শ গ্ৰহণ কৰিছো, সেই নীতি অনুসৰি সেই আদৰ্শ অনুসৰি পিচপৰি থকা মানুহ বিলাকক আগবঢ়াই আনিবলৈ যি কাৰ্য্যসুচী গ্ৰহণ কৰিব লাগিব আৰু তাৰ বাবে আমাৰ চৰকাৰৰ যি প্ৰস্তুতিৰ দৰ্কাৰ সেই প্ৰস্তুতি চলাব লাগিব। সেই কাৰণেই মই এই খিনিতে কব খুজিছো যে আজি বিজ্ঞানৰ যুগত, আজি প্ৰগতিৰ যুগত আমি একো কৰিব পৰা নাই। আজি আমি বিজ্ঞান সম্মত পদ্ধতি গ্ৰহণ কৰিব লাগিব। তাৰ পিছত আমি যুগৰ লগত খাপ খাবলৈ শিকিব লাগিব। মই এটা কথা ভাবো আমাৰ যিবিলাক খেতিয়ক মানুহ, যি বিলাকে শ্ৰমিক সেই সকলে বৈজ্ঞানীক পদ্ধতি গ্ৰহণ কৰিবলৈ হলে সেই সকলক উপযুক্ত পৰিমাণে শিক্ষাৰ প্ৰয়োজন।

শ্ৰীসোনেশ্বৰ বৰা : আপোনাৰ সংশোধনী কলৈ গ'ল ?

শ্ৰীলীলা কান্ত দাস : সংশোধনীৰ উদ্দেশ্যৰ ওপৰত কৈছো।

মিঃ ডেপুটি স্পীকাৰ : আপুনি চমু কৰক। এটা ৰোল আছে—No spelch on a resolution shall, except with the permission of the Speaker, exceed fifteen minutes in duration.

শ্ৰীলীলা কান্ত দাস : উপাধ্যক্ষ মহোদয়, সেই কাৰণে ইমই ক'ব খুজিছো যে আমাৰ বিশেষকৈ অসমত বাস কৰা অনুসূচীত জাতি অনুসূচীত জনজাতি মানুহ বিলাকক

যদি আমি আগবঢ়াই অনাৰ ব্যৱস্থা কৰিব বিচাৰো, এই সম্প্ৰদায়ৰ মানুহখিনিৰ কাৰণে শিক্ষাৰ এটা বিশেষ ব্যৱস্থা কৰিব লাগিব। এই শিক্ষা ব্যৱস্থাৰ জৰিয়তে তেওঁলোকৰ মাজত পৰিবৰ্তন সাধন কৰিব লাগিব। আজি স্বাধীনতাৰ ২৩ বছৰৰ পাছতো অনুসূচীত জাতি অনুসূচীত জনজাতিৰ লোক সকলক যি অৱস্থাত পাইছো তাত আমি দেখিবলৈ পাইছো শিক্ষাৰ কিছুমান দুখজনক ব্যৱস্থাৰ কাৰণে শিক্ষাত আগবাঢ়িব পৰা নাই। সেই কাৰণেই মই কওঁ যে অসমত ৰেচিডেনচিয়েল টাইপৰ শিক্ষা পদ্ধতি ব্যৱহাৰ কৰি এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত এটা পৰিবৰ্তনৰ মাজত শিক্ষা লাভ কৰিবলৈ সুযোগ দিব লাগে। যাতে আমাৰ পিছপৰি থকা লোক সকল আগবাঢ়ি আহিব পাৰে।

উপাধ্যক্ষ মহোদয়, এনে ধৰণৰ ৰেচিডেনচিয়েল পদ্ধতিত শিক্ষা দিয়াৰ ব্যৱস্থা ভাৰতবৰ্ষ ঠাইত আছে, বিশেষকৈ গুজৰাট ৰাজ্যত এই অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ সম্প্ৰদায়ৰ ছাত্ৰসকলৰ কাৰণে ৰেচিডেনচিয়েল পদ্ধতিত শিক্ষা দিয়াৰ ব্যৱস্থা হৈছে যাতে আন আন সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীৰ লগত একেলগে সেই ল'ৰা-ছোৱালী বিলাকে সঘনে আগবাঢ়ি যাব পাৰে।

মিঃ ডেপুটি স্পিকাৰঃ আপুনি চমু কৰক।

শ্ৰীলীলা কান্ত দাসঃ মই নিবেদন কৰিছো মোক অলপ সময় লাগিব। মই এটা হিচাব দিও, ধৰক ঢকুৱাখানা সমষ্টিৰ কথাই কও, সৰুতে আমি ভূগোল পঢ়োতে পাইছিলো যে ঢকুৱাখানা শিক্ষা বিষয়ত যথেষ্ট আগবঢ়া আছিল। অতিজতে তাত বহুতো ভদ্ৰলোকৰ বাসস্থান আছিল, এই কথাটো থিক যে এসময়ত ঢকুৱাখানা আৰু নলবাৰী অসমৰ ভিতৰতে আগবঢ়া আছিল। ১৯৭১ চনৰ শিক্ষিত লোকৰ সংখ্যা হিচাব কৰিলে দেখা যায় অসমত শতকৰা ২৮ জন লোক শিক্ষিত আৰু ঢকুৱাখানাত শতকৰা ৩০ জন লোক শিক্ষিত হব পাৰে, গতিকে দেখা যায় যে সেই অনুপাতে ঢকুৱাখানাৰ শিক্ষিতৰ হাৰ অলপ বেচি।

উপাধ্যক্ষ, মহোদয়, এই সমষ্টিত ১ লাখ ৪০ হাজাৰ জনসংখ্যা আছে তাত প্ৰায় ২৯ হাজাৰ অধিক লোক শিক্ষিত আৰু চাৰে আঠ হাজাৰ লোক অনুসূচীত সম্প্ৰদায়ৰ, এই হিচাবটো মই অৱশ্যে খাটাংকৈ কব নোৱাৰো, অনুমানহে কৰিছো। তাত ২৬ খন অনুসূচীত সম্প্ৰদায়ৰ গাওঁ আছে আৰু এই ২৬ খন গাৱৰ ভিতৰত ১৬ খন গাৱত এজনো মেট্ৰিক পাচ নাই। অথচ বাকী যিবিলাক গাৱত এই সম্প্ৰদায়ৰ

লোক নাই তাত এজনতকৈ ও বেচি মেট্রিক পাচ কৰা লোক আছে। তেতিয়া হলে উপাধ্যক্ষ মহোদয় আপুনি ভাবি চাওক এই যে অনুসূচীত জাতি আৰু জনজাতিৰ লোক সকল যদিও একেটা এলেকাতে আছে তথাপি কেনেকৈ পিছপৰি আছে, আজি সমাজত এই লোক সকলক আন আন জাতিৰ একে স্তৰলৈ অনাৰ যি প্ৰয়াস বা প্ৰচেষ্টা চৰকাৰে কৰিবলৈ আগবাঢ়িছে আৰু সেই সকল লোকক সমাজত ন্যায় প্ৰতিস্থা কৰিবলৈ ওলাইছে কিন্তু এইদৰে যদি এই লোক সকল পিচপৰি থাকে তেতিয়া হলে সেই আশা বাস্তৱত ৰূপায়িত কৰাতো সম্ভবপৰ নহব।

সেই কাৰণে যাতে এই অনুসূচীত জাতি আৰু জনজাতিৰ লোক সকলক সমাজৰ আন আন শ্ৰেণীৰ একেটা স্তৰলৈ আনিব পাৰি তাৰ কাৰণে মই এই সংশোধনী সদনত দাঙি ধৰিছো আৰু মই আশা ৰাখিছো যাতে আমাৰ মাননীয় সদস্য সকলে গ্ৰহণ কৰিব আৰু অকল প্ৰস্তাৱটো গ্ৰহণ কৰাই নহয়—এই সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰাৰ পাচত তাক যাতে বাস্তৱত ৰূপায়িত কৰিবলৈ কাৰ্য্যকৰী ব্যৱস্থা হাতত লব পাৰি তাৰ কাৰণে চেষ্টা কৰিব লাগিব। দেশৰ সকলো শ্ৰেণীৰ মানুহকে যাতে সমানে নাগৰিক স্বত্ব দিব পাৰি আৰু তাৰ কাৰণে চৰকাৰৰ যি গভীৰ দায়িত্ব সেই দায়িত্ব চৰকাৰে পালন কৰে তাৰ বাবে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো।

সেই কাৰণে মই এই হিচাবটো দিলো, আজি যদি ভালদৰে চোৱা হয় তেতিয়া হলে দেখা যায় কেইখনমান নগৰৰ বাবে অসমৰ বেচি ভাগ ঠাইৰ এই সম্প্ৰদায়ৰ লোক সকল পিচপৰি আছে। আমি স্বাধীনতা লাভ কৰাৰ পাচত যেতিয়া বিধান সভাত কেইটামান সংৰক্ষিত সমষ্টিৰ সৃষ্টি হ'ল তাত যিবিলাক প্ৰতিনিধি আছিল সেই ঠাইত অনুসূচীত সম্প্ৰদায়ৰ লোকে বাস কৰা এলেকাত উন্নয়নমূলক কাম ২/১ টা হৈছে কিন্তু যিবিলাক ঠাইত এনে ব্যৱস্থা নাই সেই বিলাক ঠাইৰ এই সম্প্ৰদায়ৰ লোক সকলক আগবঢ়াই নিয়াৰ কোনো ব্যৱস্থা অৰ্থাৎ কোনো ৰাজহুৱা ব্যৱস্থা লোৱা আমাৰ চকুত পৰা নাই। তাৰ পৰিবৰ্তে লুণ্ঠন কৰা ব্যৱস্থাহে চলিছে। আজি আমাৰ গোটেই দেশৰেই শিক্ষিতৰ সংখ্যা কম, শতকৰা ২৮ জন লোকহে শিক্ষিত— আমাৰ ৰাজ্যত আৰু এই শতকৰা ২৮ জনৰ পিছত বাকী যিখিনি অশিক্ষিত লোক আছে সেই লোকৰ সংখ্যা সৰহ ভাগ লোকেই অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোক, বাগানত কাম কৰা বনুৱা সকল আৰু 'টি গাৰডেন' বনুৱা লোক সকল আৰু অন্যান্য পিছপৰা সম্প্ৰদায়ৰ

লোক আৰু ভিতৰুৱা গাওঁ এলেকাত বাস কৰা গাৱলীয়া লোক সকল পৰে।

আন হাতেদি আজি তুলনামূলক ভাবে আন আন সম্প্ৰদায়ৰ বিলাক অনু-সূচীত জাতি আৰু জনজাতিৰ তুলনাত বহুতখিনি আগুৱাই গৈছে। উপধ্যক্ষ মহোদয়, যোৱা বেলি অনুসূচীত জাতি আৰু জনজাতিৰ উপদেষ্টা পৰিষদত চাক-ৰিয়াল নিয়োগৰ সম্পৰ্কত তদন্ত কৰা হৈছিল আৰু তেতিয়া বিভিন্ন বিভাগৰ মূৰব্বী সকলক যেতিয়া সোধা গল যে অনুসূচীত জাতি আৰু জনজাতিৰ তৰফৰ পৰা আৰু পিচপৰি থকা সম্প্ৰদায়ৰ পৰা উপযুক্ত সংখ্যক চাকৰীয়াল কিয় নিয়োগ কৰা হোৱা নাই তেতিয়া তেওঁ বিলাকে প্ৰতিবেদনত কৈছিল যে উপযুক্ত অৰ্হতা সম্পন্ন লোক নাই। সেই কাৰণেই দিব পৰা নাই। বিশেষকৈ আমাৰ ৰাজ্যিক চৰকাৰৰ প্ৰথম শ্ৰেণীৰ আৰু দ্বিতীয় শ্ৰেণীৰ যিবিলাল কৰ্মচাৰী আছে সেই সকলৰ মাজততো নায়েই আনকি চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ মাজতো শতকৰা আশী ভাগ মানুহ হব ধুবী, জমাদাৰ সকলৰ মাজৰ পৰা। কিন্তু সামাজিক ন্যায় যদি কৰিবলৈ বিচৰা হয় তেনেহলে সামাজিক দৃষ্টি ভঙ্গীৰে কাম কৰিব লাগে আৰু সেই পিচপৰি থকা লোক সকলকো আগুৱাই আনিব লাগিব। আমাৰ দেশখন এজন মুখ্য মন্ত্ৰীয়ে বা এজন প্ৰধান মন্ত্ৰীয়ে উন্নত কৰি দিব নোৱাৰিব। তেওঁলোকে এজন মানুহক উন্নত হোৱাৰ পথটোহে সুগম কৰি দিব পাৰিব। মুখ্যমন্ত্ৰী সিংহ ডাঙৰীয়াই অকলে হালবাই দেশক উন্নত কৰিব নোৱাৰিব। সেইটো দক্ষতা কাৰো নাথাকে। কিন্তু কথা হ'ল এই পিচপৰি থকা সম্প্ৰদায় কেইটাৰ মাজত অনুভূতি জগাব লাগিব। শিক্ষাৰ মাধ্যমেৰে যদি এই অনুভূতি তেওঁলোকৰ মাজত জগাব পৰা যায় তেতিয়া হলেহে কাম হ'ব।

উপাধ্যক্ষ মহোদয়, সাধাৰণ কথা যে শিক্ষা-দীক্ষা লাভ কৰিলে মানুহৰ মন বিলাক শতকৰা দহ জনৰ বেয়া হলেও বাকী নব্বৈ জন মানুহেই ভাল হবলৈ নিজৰ কাৰণে দহৰ কাৰণে ভাল বেয়া চিন্তা কৰিবলৈ ক্ষমতাপ্ৰাপ্ত হয়। প্ৰথমতে নিজৰ পিচত ঘৰখনৰ, তৃতীয়তে গাৱখনৰ তাৰ পাচত অঞ্চলটোৰ চিন্তা কৰিব পৰা হয়।

উপাধ্যক্ষ : আপুনি ৰেচিডেনন্সিয়েল স্কুলৰ কথালৈ আহক। এইটো পইন্টত কওক।

শ্ৰীলীলা কান্ত দাস : উপাধ্যক্ষ মহোদয়, মই অনুৰোধ জনাইছো মোৰ সংশোধনী

প্ৰস্তাৱটো সদনৰ আটাই কেইজন সদস্যই গ্ৰহণ কৰিব আৰু লগে লগে গোটেই অসমতে অন্ততঃ প্ৰতি অঞ্চলতে নহলেও প্ৰতি মহকুমাতে অনুসূচীত জাতি আৰু জনজাতিৰ কাৰণে অন্ততঃ একোখনকৈ ৰেচিডেনসিয়েল টাইপ অব স্কুল প্ৰতিস্থা হ'ব— আৰু ইয়াৰ কাৰণে কাৰ্য্যকৰি ব্যৱস্থা এই পঞ্চম পাঁচ বছৰীয়া পৰিকল্পনাতে চৰকাৰে গ্ৰহণ কৰিব। অনুসূচীত জাতি আৰু জনজাতি সকলক আগবঢ়াই নিবলৈ সংশোধনী প্ৰস্তাৱ দাঙি ধৰি সদনৰ সকলো বিলাক মাননীয় সদস্যকে গ্ৰহণ কৰিবলৈ অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীমতী তৰুলতা বৰা : মাননীয় উপাধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰীযুত দাস ডাঙৰীয়াই যিটো প্ৰস্তাৱ বিধান সভাৰ মাজলৈ আনিছে সেইটো পূৰ্ণ সমৰ্থন দিছো আৰু এনেদৰে কিছুমান সম্প্ৰদায় যে শিক্ষা-দীক্ষাৰ ক্ষালৰ পৰা পিচ পৰি থাকিব লগীয়া হয় অঙ্গহীন মানুহব দৰে তেন্তে দেশৰ চৰকাৰো অঙ্গহীন হৈ পৰি থাকিব লাগিব। কিয়নো আজি কিছুমান জাতি বা সম্প্ৰদায়ক পিচ পেলাই থৈ আন কেইটামান উন্নতশীল জাতিকে লৈ চৰকাৰে দেশৰ উন্নতিৰ সোপানত আগুৱাই নিব নোৱাৰে। বিশেষকৈ আজি এইবিলাক অঞ্চলত শিক্ষা প্ৰচাৰৰ কাৰণে এটা সামাজিক আৰু বৈপ্লবিক পৰিবৰ্তন আনিব লাগিব। নহলে এই পিচপৰি থকা সম্প্ৰদায় সমূহ শিক্ষাৰ ক্ষেত্ৰত আগুৱাই যাব নোৱাৰিব। ইয়াৰ কাৰণে সামাজিক ভাৱে প্ৰচেষ্টা চলাব লাগিব আৰু এই প্ৰচেষ্টাত চৰকাৰেও সহযোগীতা যদি নকৰে তেতিয়াহলে নিশ্চয় এইবিলাক অঞ্চল পিচ পৰি থাকিব লাগিব। আজি দেখা গৈছে যে পিচ পৰি থকা অঞ্চল বিলাক কিছুমান মিছনাৰি আহি সুযোগ গ্ৰহণ কৰিছে তেওঁবিলাকৰ ধৰ্ম প্ৰচাৰ কৰিবলৈ। তেওঁবিলাকে ৰেচিডেন্সিয়েল টাইপ অব স্কুল গঠন কৰি তাৰ দ্বাৰা শিক্ষা আৰু অঞ্চলটোত চিকিৎসা আদিৰ ব্যৱস্থা কৰি তেওঁবিলাক ধৰ্ম প্ৰচাৰৰ দিহা কৰিছে। সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা যদি তেওঁবিলাক আহি ইয়াত ইমানখিনি কৰিব পাৰে তেন্তে আমাৰ দেশতে সেই সুবিধা কিয় তেওঁবিলাকলৈ আগবঢ়াব নোৱাৰো তাৰ কোনো কাৰণ নাই। কিয়নো সামাজিক আৰু অৰ্থনৈতিক এই দুয়োটা দিশেই ঘাইকৈ নিৰ্ভৰ কৰিছে শিক্ষা-দীক্ষাৰ ওপৰত। শিক্ষাৰ ক্ষেত্ৰত আগুৱাব পাৰিলেহে আন বিলাক ক্ষেত্ৰত স্বাৱলম্বিতা আহিব পাৰে। আৰু তেতিয়াহে সমস্যা সমাধানৰ কথা আহে। গোটেই কেইটা দিশৰ সমস্যা সমাধান কৰিবলৈ হলে তাৰ মূলতে

লাগিব তেওঁবিলাকৰ উপযুক্ত শিক্ষা দিয়াৰ ব্যৱস্থা। কিয়নো ইয়াৰ ওপৰতে অৰ্থনৈতিক, সামাজিক আদি আন কেইটা দিশো অন্তৰ্নিহিত হৈ আছে।

এতিয়া চাওঁক আমি অধিক শস্য উৎপাদনৰ প্ৰচেষ্টা চলাইছো। আমি ৰবি শস্যৰ কাৰণে প্ৰচেষ্টা চলাইছো কিন্তু যদি আমাৰ উপযুক্ত শিক্ষা নাথাকে আমি কেনেকৈ ফলবতী হব পাৰিম? আজি সাৰ যোগান ধৰিবলৈ হ'লে, পানী যোগান ধৰিবলৈ হ'লে উপযুক্ত শিক্ষা নাথাকিলে আমি যথেষ্ট পিচ পৰি যাম। গতিকে এই সকল মানুহক আগবঢ়াই নিব নোৱাৰিলে অৰ্থনৈতিক সমস্যা সমাধানৰ ক্ষেত্ৰত আমি আগবাঢ়ি যাব নোৱাৰিম আমাৰ সমস্যা সমস্যা হৈয়ে ৰব। উপাধ্যক্ষ মহোদয়, আজি আমি যি সমস্যাৰ সন্মুখীন হৈছো সেই সমস্যা আঁতৰাবলৈ এই পিচ পৰা জাতি সমূহক উন্নতিশীল জাতি সমূহৰ শাৰীত অনাৰ চেষ্টা কৰিব লাগিব। গতিকে আশা কৰো চৰকাৰৰ ফালৰ পৰা যি সা-সুবিধা সেই সকলো ধৰণৰ সা-সুবিধা দিবলৈ মই চৰকাৰক অনুৰোধ কৰিলো।

উপাধ্যক্ষ মহোদয়, মই শ্ৰী দাস ডাঙৰীয়াৰ লগত একমত যে পঞ্চ বাৰ্ষিক পৰিকল্পনাৰ প্ৰথম বছৰতে মহকুমা ভিত্তিত ৰেচিডেনচিয়েল টাইপ অব স্কুল খুলিবলৈ চৰকাৰে সকলো ধৰণৰ সহায় সহযোগ আগবঢ়াব। বিশেষকৈ অনুসূচীত জাতি আৰু জনজাতিৰ মাজত এই আবাসিক স্কুল স্থাপন কৰি শিক্ষাৰ এটা সুস্থ পৰিবেশ আনিব। আজি কিছুমান জাতি একেবাৰে পিচ পৰি আছে, মই এই ক্ষেত্ৰতে উল্লেখ কৰিব বিচাৰিছো যে অনুসূচীত জাতি আৰু জনজাতিতকৈও এটা এবৰিজিনেল জাতি আছে সেইটো হৈছে মৰাণ জাতি। এই কথাটো নকলেও ভুল কৰা হব যে তেওঁলোকৰ মাজত আজি এজন ইঞ্জিনিয়াৰ নাই, এজন এডভোকেট নাই, এজন ডাক্তৰ বা এজন গেজেটেড বিষয়া নাই। গতিকে আমি আশাকৰো এই পিচ পৰা জাতি সমূহৰ কাৰণে চৰকাৰে বিশেষ নজৰ দিব। নহলে অদূৰ ভবিষ্যতে এই জাতি সমূহ নিচ্ছিন্ন হৈ যাব। আমাৰ পিচ পৰা অনুসূচীত জাতি বা জনজাতিৰ মাজত কিছুমান সামাজিক ব্যৱস্থাই শিক্ষাৰ হেঙাৰ স্বৰূপে থিয় দিছে। সেই বিলাকৰ প্ৰধান অন্তৰায় হৈছে এই অঞ্চলবিলাকৰ আলিপদূলি বা অন্যান্য কিছুমান সা-সুবিধা। আলি পদূলিৰ সুবিধা নথকা কাৰণে ল'ৰা-ছোৱালীয় একাঠু বোকা গছকি যাব লাগে— সেই কাৰণে বাৰিষা এই ল'ৰা-ছোৱালীবোৰ স্কুললৈ নাযায়। আমি এনে কিছুমান ঠাই দেখিছো য'ত ইখন গাওঁৰ পৰা সিখন গাওঁৰ মাজত কোনো আলি পদূলিৰ সা-সুবিধা নাই। ফলত ল'ৰা-ছোৱালীয়ে বাৰিষা স্কুলত অহাত

যথেষ্ট কষ্ট কৰিবলগীয়া হয়। গতিকে আমি আশাকৰো এই অঞ্চল সমূহক প্ৰগতিৰ পথত আগবঢ়াই নিবলৈ হলে, শিক্ষাৰ পৰিবেশ আনিবলৈ হলে এই অসুবিধাবিলাক দূৰ কৰিব লাগিব। এই আলি পদূলিৰ কাৰণেই আমাৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ হেঙাৰ স্বৰূপ হৈছে। এই হেঙাৰ চিঙিবলৈ মই চৰকাৰক টানি অনুৰোধ কৰিলো।

শেষত এই আবাসিক স্কুলৰ প্ৰতি চৰকাৰৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীজগদীশ দাস : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীসুৰেন দাস ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱৰ ওপৰত মাননীয় সদস্য শ্ৰীলীলা কান্ত দাস ডাঙৰীয়াই যিটো সংশোধনী আনিছে যেই সংশোধনীটো সমৰ্থন কৰি দুষাৰমান কব খুজিছো।

কণ কণ ল'ৰা-ছোৱালীয়ে হৈছে দেশৰ আৰু জাতিৰ ধৰণী স্বৰূপ। এই কণ কণ ল'ৰা-ছোৱালীৰ শাৰীৰিক মানসিক চাৰিত্ৰীক গঢ় দিব পাৰিলেই আমাৰ দেশৰ উন্নতি হ'ব। আজি অনুসূচীত জাতিয়েই বোলক বা জনজাতিয়েই বোলক ১ কোটি ৪৪ লাখ জন সংখ্যাৰ শিক্ষাৰ উন্নতি সাধন কৰা আমাৰ উদ্দেশ্যে। তাৰ ভিতৰত আমাৰ যিসকল জনজাতি আৰু অনুসূচীত জনজাতিৰ ল'ৰা-ছোৱালী তেওঁলোক অতিকৈ পিচ পৰা। উপাধ্যক্ষ মহোদয় আমাৰ দাস ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱটো হৈছে অন্যান্য ৰাজ্যত যেনেকৈ ছাত্ৰাবাসীক স্কুল আছে—আমাৰ অসমৰ জনজাতি ভাই সকলৰ মাজতো তেনে ছাত্ৰাবাসীক স্কুল স্থাপন কৰিব লাগে। আমি তেওঁলোকৰ উন্নতি সাধন কৰিবলৈ হ'লে তেওঁলোকৰ যদি থাকিবৰ ঘৰ নেথাকে খাবলৈ ভাত নেথাকে পিন্ধিবলৈ কাপোৰ নেথাকে তেনেহলে সাহসীক পদক্ষেপ ল'ব নোৱাৰি। সেই কাৰণে উপাধ্যক্ষ মহোদয় এইলোক সকলক আগ-বঢ়াবলৈ আমি আশ্ৰম টাইপৰ স্কুলত লিখা-পঢ়াৰ ব্যৱস্থা কৰিব লাগিব। অন্যথাই এই ল'ৰা-ছোৱালী বিলাকৰ পঢ়া-শুনা ক্ষেত্ৰত কোনো পাৰিপাৰ্শ্বিক অৱস্থা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ জনজাতিৰ অনুসূচীত জাতিৰ লোক সকলৰ ল'ৰা-ছোৱালী বিলাকৰ পঢ়া-শুনাৰ যিটো পাৰিপাৰ্শ্বিক অৱস্থা সেইটো সুবিধাজনক নহয়। মাক দেউতাকৰ পঢ়া-শুনাৰ কোনো জ্ঞান নথকাত ল'ৰা-ছোৱালীৰ কোনো তত্বাবধান ল'ব নোৱাৰে। তেওঁলোক মদ একলহ আগত লৈ বহি থাকে। ৰাতিপুৱা হ'লে গিৰীয়েক ঘৈণীয়েকে কাজিয়া। ইফালে ল'ৰা ছোৱালী মাছ মাৰিবলৈ

ওলাই গ'ল। এনেকুৱা এটা অৱস্থাত শিক্ষা ক্ষেত্ৰত কেনেকৈ অগ্ৰগতি লাভ কৰিব। সেই কাৰণে ছাত্ৰাবাসীক স্কুলৰ জৰিয়তে শিক্ষা দিলে মই ভাল হব বুলি ভাবো। আমাৰ গাঁৱৰ প্ৰায় বিলাক অনুসূচীত আৰু জনজাতিৰ ল'ৰা-ছোৱালীয়ে কিতাপ কিনিবলৈ পইচা নাপায়। কোনো কোনোৱে নঙঠা হৈ কিতাপ ফলিব একো ঠিক নাই। স্কুলত গৈ কানিয়াৰ দৰে বহি থাকেগৈ। কিছুমানে কাবোবাক ভুকুৱাৰ আদি কৰি থাকে। এইটো অৱস্থাত যদি ল'ৰা-ছোৱালীক উঠিবলৈ দিয়া হয় তেন্তে তেওঁলোক ডাঙৰ দীঘল হৈ কি ভাল কথা চিন্তা কৰিব ? আমি এটা কথা লক্ষ্য কৰিছো আমাৰ জনজাতি আৰু অনুসূচীত জাতিৰ ল'ৰা-ছোৱালী বিলাক ঠেক মনৰ। ভালকৈ চিন্তা কৰি কোনো কাম কৰিব নোৱাৰে। তেওঁলোক বেয়া কামত লিপ্ত হয়। আমাৰ এই লোকসকল অতি দুখীয়া। এওঁলোকৰ প্ৰতি চকু দিয়াটো কৰ্ত্তব্য বুলি মই ভাবো। সেই কাৰণে ভাল পাঠ্যক্ৰম তৈয়াৰী কৰি ছাত্ৰাবাসীক স্কুলত শিক্ষা দিয়া ব্যৱস্থা থাকিলে এওঁলোকৰ উন্নতি সাধন কৰিব পৰা যাব। জ্ঞান বিকাশৰ কাৰণে অধ্যয়নৰ ব্যৱস্থা সামাজিক কামত আত্ম-নিৰ্ভৰশীলতা আদি হোৱাৰ শিক্ষা প্ৰদান কৰিলে ভাল হ'ব। অৱশ্যে এই সকলৰ ল'ৰাই যে আই, এ, এচ্ আদি পোৱা নাই সেইটো কথা মই নকও। কিন্তু আমাৰ গাঁৱলীয়া ল'ৰা-ছোৱালী বিলাকক ছাত্ৰবাসীক স্কুল স্থাপন কৰি তাৰ জৰিয়তে শিক্ষা দিলে তেওঁলোকে উপযুক্ত নাগৰিক হিচাবে নিজকে প্ৰতিস্থা কৰিব পাৰিব। কাৰণ এই ল'ৰা বিলাক মূৰ্খ হৈ আছে। যিয়েই যিটো কয় ভাল হওক বা বেয়া হওক তাকেই কৰে। কাৰণ তেওঁলোকৰ জ্ঞান নাই ভাল চিন্তা চৰ্চা কৰিব নোৱাৰে। মাক-দেউতাকৰো কোনো শিক্ষাৰ জ্ঞান নাই। চহৰত যি বিলাক আছে তেওঁলোকৰ টকা পইচাৰ অভাৱ নাই। কিন্তু বাকী সকলৰ অৱস্থা অত্যন্ত বেয়া। মাটিবাৰী নাই থাকিবলৈ ঘৰ নাই। গতিকে ল'ৰা-ছোৱালী বিলাক এইটো পৰিবেশত পঢ়িব কেনেকৈ ? সেই কাৰণে মই সকলোকে অনুৰোধ কৰো যাতে সকলোৱে এই প্ৰস্তাৱটো মানি লয়। এইখিনিকে কৈ সকলোৱে এই প্ৰস্তাৱটো সমৰ্থন কৰিব বুলি আশা ৰাখি মোৰ বক্তৃতাৰ সামৰণি মাৰিলোঁ।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড : উপাধ্যক্ষ মহোদয়, আজিৰ এই প্ৰস্তাৱটো আৰু প্ৰস্তাৱটোৰ লগত অহা সংশোধনীটোৰ সমৰ্থনত দুষাৰ মান কথা ক'ব খুজিছো। আমি যেতিয়া অনুসূচীত জাতি বা অনুসুচীত জন জাতিৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ কথা আলোচনা কৰিছো তেতিয়া স্বাভাৱিকতে এটা কথা আমাৰ মনলৈ আহিছে,

সেইটো হৈছে আমাৰ দেশ স্বাধীন হোৱাৰ সময়ত আমি এটা বিশেষ ধৰণৰ শিক্ষা ব্যৱস্থা উত্তৰাধিকাৰী সূত্ৰে পাইছিলো। সেই উত্তৰাধিকাৰী সূত্ৰতে বৃটিছ সাম্ৰাজ্য বাদৰ পৰা যিটো শিক্ষা ব্যৱস্থা পাইছিলো তাৰ এটা আদৰ্শ, এটা লক্ষ্য আছিল। তাৰ উদ্দেশ্য আৰু লক্ষ্য আছিল ভাৰতবৰ্ষ আৰু তাৰ লগতে অসমত সাম্ৰাজ্যবাদী শাসন জীয়াই ৰাখিবৰ কাৰণে, এই সাম্ৰাজ্যবাদৰ শাসন চলাবৰ কাৰণে যিখিনি ব্যৱস্থাৰ প্ৰয়োজন হয় তাৰ কাৰণে মানুহ তৈয়াৰ কৰা, আৰু এনে এক শ্ৰেণীৰ মানুহৰ সৃষ্টি কৰা যিবিলাক মানুহে মনে প্ৰাণে বৃটিছ সাম্ৰাজ্যবাদ সমৰ্থন কৰিব পাৰে আৰু তাক ৰক্ষা কৰিবলৈ চেষ্টা কৰিব পাৰে। তাৰ ভিতৰত আমি দেখিবলৈ পাইছো আমাৰ দেশ বিভিন্ন জাতি উপ-জাতিৰে গঠিত। এই জাতি উপ-জাতিৰ মানুহ বিশেষকৈ যিসকলৰ হাতত উৎপাদনৰ আহিলা নাছিল সেই সকল বঞ্চিত হৈ থাকিল, যিসকলৰ উৎপাদন উচ্চ স্তৰত আছিল সেই সকল উচ্চ স্তৰত থাকিবলৈ পোৱা নাছিল। সেই সকল শিক্ষাৰ দিশতো পিচ পৰি থাকিল। স্বাধীনতাৰ ২৬ বছৰৰ ভিতৰত যে শিক্ষা সম্প্ৰসাৰণ হোৱা নাই তেনে নহয়। ভাৰতবৰ্ষত শিক্ষা সম্প্ৰসাৰণ হৈছে— হৰাইজণ্টেল শিক্ষা ব্যৱস্থা ভাৰতবৰ্ষত হৈছে। ১৯৪৭ চনত ভাৰতবৰ্ষত ১৯টা বিশ্ববিদ্যালয় আছিল এতিয়া ৮৪ টা হৈছে, ১৯৪৭ চনত ৬৩২ খন কলেজ আছিল, এতিয়া সেই সংখ্যা বাঢ়ি ৩৪০৬ খন কলেজ হৈছে সেই ধৰণেৰে হাইস্কুলৰ সংখ্যাও বাঢ়ি গৈছে আৰু তাৰ লগে লগে ছাত্ৰৰ সংখ্যাও বাঢ়ি গৈছে। তাৰ লগে লগে আন আন দিশতো আগবাঢ়ি গৈছো। আমাৰ দোষ হৈছে আমাৰ শিক্ষা ব্যৱস্থাত কিছুমান বৈষম্য আছে। এই বৈষম্যটো হৈছে যে আমি ৬ বছৰৰ পৰা ১১ বছৰলৈকে ল'ৰা-ছোৱালী বিলাকক শতকৰা ১০০ জনক প্ৰাইমাৰী শিক্ষা দিব পৰা নাই। সমগ্ৰ ভাৰতৰ কথা তুলনা কৰি চালে দেখা যায় যে ৬ বছৰৰ পৰা ১১ বছৰীয়া ল'ৰা-ছোৱালীক শতকৰা ৬০ জনকহে প্ৰাইমাৰী শিক্ষা দিব পৰা হৈছে। কিন্তু মোৰ বোধেৰে অসমত এইটো সংখ্যা শতকৰা ৫০ জন মানহে হ'ব। মন্ত্ৰী মহোদয়ে যিটো শতকৰা ৭৮ জন বুলি কৈছে সেইটো সংখ্যা মই প্ৰত্যাহ্বান কৰিব পাৰো। কাৰণ অসমৰ ক্ষেত্ৰত, চাহ বাগানৰ বনুৱাৰ ক্ষেত্ৰত, অনুসূচীত জাতিৰ ক্ষেত্ৰত, এই সকলৰ কথা যদি ইয়াৰ ভিতৰলৈ অনা হয় তেনেহলে মন্ত্ৰী মহোদয়ে যিটো সংখ্যা দিছে সেইটোত মই প্ৰত্যাহ্বান কৰিবলৈ ৰাজি আছো। আজি অৱস্থা এইটো হৈছে। আমাৰ চৰকাৰৰ যিটো কথা আছিল

যে ৬ বছৰৰ পৰা ১১ বছৰলৈকে ১০ বছৰৰ ভিতৰত শতকৰা ১০০ জনক প্ৰাইমাৰী শিক্ষা দিব পাৰিম। কিন্তু এইটো কৰিব নোৱাৰি।

এতিয়া প্ৰস্তাৱটো আহিছে ৰেচিডেনন্সিয়েল স্কুললৈ। অসমত ৰেচিডেনন্সিয়েল স্কুল আছে। ভাৰতবৰ্ষত বিভিন্ন ঠাইত ৰেচিডেনন্সিয়েল স্কুল আছে। এই ৰেচিডেনন্সিয়েল স্কুল বিলাক দুই ধৰণৰ। এটা হৈছে মিচনাৰী বিলাকে পতা আৰু আনটো হৈছে আমাৰ ডাঙৰ ডাঙৰ মানুহৰ ল'ৰা-ছোৱালীৰ কাৰণে পতা পাবলিক স্কুল। য'ত ধনী মানুহৰ, ডাঙৰ বিষয়া সকলৰ ল'ৰা-ছোৱালীয়ে, যি টকা পইচা খৰচ কৰিব পাৰে বা ডাঙৰ ডাঙৰ নেতা সকলৰ ল'ৰা-ছোৱালীয়ে পঢ়িব পাৰে আৰু দ্বিতীয় পৰ্য্যায়টো হ'ল মিচনাৰী স্কুল। তাতো তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে পঢ়ে। (ভইচ-পাবলিক স্কুল বিলাকত বৃত্তি পায়)। বৃত্তি পাই যিখিনি ল'ৰা-ছোৱালীয়ে পঢ়িছে সেই সকলৰ কথা এনালেচিচ কৰি চালেই মোৰ কথাৰ সত্যতা প্ৰমাণিত হ'ব। আমাৰ শিক্ষা যদিও সম্প্ৰসাৰণ কৰা হৈছে শিক্ষা নীতিৰ ভিতৰত আৰু শিক্ষা পোৱাৰ ভিতৰত আমাৰ নীতিগত ভাবে চৰকাৰে মিল কৰিব পাৰিছে বুলি কোৱা নাই। যদিও শিক্ষা সম্প্ৰসাৰণ কৰা হৈছে তাৰ বৈষম্য আছে। এই বৈষম্য শতকৰা ৩০ ভাগেই হওক বা শতকৰা ৪০ ভাগেই হওক প্ৰাইমাৰী শিক্ষাৰ পৰা বঞ্চিত হৈছে। তেওঁলোক কেনে ধৰণৰ মানুহৰ ল'ৰা-ছোৱালী? তেওঁলোক সমাজৰ আটাইতকৈ নিষ্পেষিত, দুখীয়া ভূমিহীন কৃষক, শ্ৰমিক আৰু চাহ মজদুৰৰ ল'ৰা-ছোৱালী। আৰু অসমত কোন বিলাক বঞ্চিত হৈছে? যিবিলাক ভূমিহীন দুখীয়া কৃষকৰ ল'ৰা-ছোৱালী, যিবিলাক জনজাতি বা অনুসূচীত জাতিৰ ল'ৰা-ছোৱালী, যিবিলাক চাহ মজদুৰৰ ল'ৰা-ছোৱালী সেই সকল বঞ্চিত হৈছে। আমাৰ চৰকাৰৰ বৈষম্যমূলক নীতিৰ কাৰণে সেই বিলাকৰ ল'ৰা-ছোৱালীয়ে পঢ়িবলৈ সক্ষম হৈছে যি সকল ধনী মানুহ টকা পইচা খৰচ কৰিব পাৰে কলা বজাৰত কিতাপ কিনিব পাৰে সেই সকলৰ ল'ৰা-ছোৱালীয়ে পঢ়িব পাৰে আৰু যিসকলে এই দৰে কলা বজাৰত কিতাপ কিনিব নোৱাৰে, যাৰ টকা পইচা নাই তাৰ ল'ৰা-ছোৱালীয়ে পঢ়িব নোৱাৰে। আজিৰ অৱস্থাটো হৈছে এনেকুৱা। মিচনাৰী সকলৰ ৰেচিডেনন্সিয়েল স্কুল বিলাকেও যে শিক্ষা সম্প্ৰসাৰণৰ ক্ষেত্ৰত বৰঙনি যোগাই আহিছে সেই কথা আমি অস্বীকাৰ নকৰো। মিচনাৰী সকলৰ ওপৰত অনুসূচীত জনজাতিৰ লোক সকলে কিয় নিৰ্ভৰ কৰিব

লগীয়া হৈছে ? এই শিক্ষাৰ ক্ষেত্ৰত যিটো ভেকুৱাম সেইটো পূৰণ কৰিবৰ কাৰণে মিচনাৰী সকলে ল'লে। মই মিচনাৰীৰ বিৰোধী নহও। উপাধ্যক্ষ মহোদয়, আপুনি এই কথা জানে যে অসমৰ উত্তৰ অঞ্চলত বিশেষকৈ দৰং জিলাত মিচনাৰী সকলে ৰেচিডেনস্নিয়েল স্কুল পাতিছিল। বৃটিছ সাম্ৰাজ্যবাদৰ ধ্বনি আছিল এহাতে বাইবেল আৰু আন হাতে তৰোৱাল।

মুখ্যমন্ত্ৰী ডাঙৰীয়াই স্বীকাৰ কৰিছিল যে অসম আৰু উত্তৰ-পূব অঞ্চলত আমেৰিকাৰ চি, আই, এ-ৰ মানুহ ভৰি আছে। অসমৰ উত্তৰ অঞ্চলত যিবিলাক মিচনাৰী আছে সেই সকলৰ আৰে আৰে চি, আই, এ-ৰ কাৰ্য্যকলাপ চলি আছে। এনেকুৱা উদাহৰণ আছে "Bible in one hand and sword in the other".

অধ্যক্ষ মহোদয়, এনেকুৱা উদাহৰণ আছে। এজন আই, এ, এচ, অফিচাৰে অসম চৰকাৰৰ চাকৰি ৰিজাইন দি গৈ এটা হাস্পতালৰ এডমিনিষ্ট্ৰেটিভ অফিচাৰ হৈ আছে আৰু গোটেই উত্তৰ-পূব সীমান্ত ভ্ৰমণ কৰি ফুৰিছে। অসমৰ উত্তৰাঞ্চল আৰু গোটেই অৰুণাচল অঞ্চলত অসমৰ জনজাতি আৰু অৰুণাচলৰ জাতি উপজাতিৰ মাজত ঘূৰি ফুৰি নানা কূটনীতিত লিপ্ত থাকি অসমৰ সংহতি নষ্ট কৰাৰ কাৰণে নানা চেষ্টা চলাইছে। এনেকুৱা ঘটনা কিয় হবলৈ পাইছে ? এইবিলাক হৈছে আজি অসমৰ জনজাতিসকলক সকলো ফালৰ পৰাই অৱহেলিত কৰি ৰখাৰ ফলত আৰু তেওঁলোকৰ শিক্ষা সংস্কৃতিৰ বিকাশ সাধনৰ সুবিধা নোপোৱাৰ ফলত।

অসম ৰাজ্যৰ মাজত অসম চৰকাৰে ট্ৰাইবেল বেল্ট কৰিছিল। ইয়াৰ প্ৰধান উদ্দেশ্য আছিল অসমৰ জনজাতিৰ লোকক অৰ্থনৈতিকভাবে, সামাজিকভাবে আৰু সাংস্কৃতিকভাবে শিক্ষা-সংস্কাৰ বিকাশৰ কাৰণে এটা মেচিভ্ প্ৰগ্ৰেম লৈ এই ট্ৰাইবেল বেল্ট বিলাক উন্নত কৰা। কিন্তু আজি সেই মেচিভ্ প্ৰগ্ৰেম কলৈ গ'ল। আজি তেনেকুৱা মেচিভ্ প্ৰগ্ৰেম নোহোৱাৰ ফলত এই ট্ৰাইবেল বেল্ট বিলাক ৰেকেটত পৰিণত হৈছে। আজি অসমৰ ট্ৰাইবেল বেল্ট বিলাকৰ যি উদ্দেশ্য সেই উদ্দেশ্য অসমত সম্পূৰ্ণৰূপে বিফল হোৱা আমি দেখিবলৈ পাইছো। সেই কাৰণে মই এই প্ৰস্তাৱটো সমৰ্থন কৰাৰ লগে লগে চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যে আজি ৰেচিডেনস্নিয়েল স্কুলৰ জৰিয়তে বা আন ধৰণে অসমৰ জনজাতি আৰু

অনুসূচীত জাতি আৰু অন্যান্য পিচ পৰা জাতি উপজাতিৰ মাজত তেওঁলোকৰ শিক্ষা প্ৰচাৰৰ এটা মেচিভ্ প্ৰগ্ৰেম খটখটীয়াকৈ লব লাগে। আজি আমি দেখিবলৈ পাইছো বিভিন্ন ক্ষেত্ৰত চাকৰি আদিত তেওঁলোকে পিচ পৰা জাতি বুলি সুবিধা বিচাৰিব লগীয়া হৈছে। তেওঁলোকক ভগবানে চিৰকাল পিচ পৰা বুলি লিখি দিছে নেকি? সেইটো নহয়। ইয়াৰ মূল হল তেওঁলোকে আজি প্ৰতিযোগিতাৰ ক্ষেত্ৰত অন্যান্য জাতি উপজাতিৰ লগত সমান অৱস্থালৈ আহিব পৰা নাই। গতিকে অৰ্থনৈতিক ভাবে আৰু শিক্ষা সংস্কাৰৰ যোগেদি তেওঁলোকক অন্যান্য জাতিৰ সমানে আগবঢ়াই অনাৰ প্ৰয়োজন হৈছে। ইয়াৰ মূলতে আছে ৰেচিডেন্সিয়েল শিক্ষাৰ কথা। শিক্ষা বাধ্যতামূলক কৰা স্বত্বেও তেওঁলোকক অন্যান্য জাতি উপজাতিৰ সমপৰ্য্যায়লৈ আনিব পৰা নগ'ল। সেই কাৰণে মই কৈছো এটা মেচিভ প্ৰগ্ৰেমৰ যোগেদি পিচ পৰা ৰাইজক যাতে আগবঢ়াই আনিব পাৰি তাৰ ব্যৱস্থা কৰিব লাগে। মই আশা কৰিছো আগন্তুক পঞ্চম পৰিকল্পনাত চৰকাৰে এই সকলোবোৰ ব্যৱস্থা হাতত লবলৈ চেষ্টা কৰিব। ইয়াকে কৈ মই প্ৰস্তাৱটো সমৰ্থন কৰিলো।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমূৰ: উপাধ্যক্ষ মহোদয়, বৰ্তমান যিটো প্ৰস্তাৱ দাঙি ধৰিছে আৰু তাৰ লগতে যিটো অনুসুচীত জাতিৰ উন্নতি সাধনৰ প্ৰস্তাৱ আগবঢ়াইছে সেইটো মই সমৰ্থন জনাইছো। বোধকৰো এই বিষয়ে আমি সকলোৱে একমত যে আজি আমাৰ চৰকাৰে সকলো জাতিকে সমানে আগবঢ়াই নিব পৰা নাই। স্বাধীনতাৰ ইমান বছৰৰ পাছতো এই জনজাতি আৰু অন্যান্য পিচ পৰা জাতিবিলাকক সমানে আগবঢ়াই নিব নোৱাৰাটো বৰ দুখৰ কথা। সংবিধানে যদিও সকলোকে সমানে অধিকাৰ দিছে আৰু এনে ধৰণৰ পিচ পৰি থকা জাতি সকলৰ কাৰণে চৰকাৰেও আচুতীয়া ব্যৱস্থা কৰি শিক্ষাৰ বহুল সুবিধা দি সমানে আগবঢ়াই অনাৰ দৰকাৰ হৈ পৰিছে। গতিকে বৰ্তমানৰ সামাজিক দৃষ্টিভঙ্গী লৈ এই পিচ পৰা লোকৰ ল'ৰা ছোৱালীৰ কাৰণে বিশেষ ব্যৱস্থা কৰি শিক্ষা দিয়া হব বুলি মই ভাবো।

আজি আমি দেখিবলৈ পাইছো যে জনজাতিৰ লোকসকলে অন্যান্য চাকৰিৰ ক্ষেত্ৰত তেওঁলাকক পিচ পৰা হেতুকে যিবিলাক আচুতীয়া ব্যৱস্থা আমাৰ চৰকাৰে কৰিছে সেইবিলাক আগতেই কৰিব লাগিছিল। তথাপি এতিয়া যিটো প্ৰস্তাৱ

আনিছে তাৰ প্ৰতি সৰ্বসন্মতিক্ৰমে সমৰ্থন জনাইছো আৰু আশা ৰাখিছো চৰকাৰে তেওঁলোকৰ এই অভিযোগ গ্ৰহণ কৰিব আৰু তাৰ লগতে অন্যান্য যিবিলাক পিচ পৰা জাতি আছে তাৰ ভিতৰত যি বৈষম্যতা তাছে, সেই বিলাক দূৰীকৰণৰ কাৰণে চেষ্টা কৰিব। আজি জনজাতিলোকৰ মাজত বিশেষকৈ আমি গৈ দেখিবলৈ পাও যে তেওঁলোকৰ ল'ৰা-ছোৱালী বেছি ভাগেই স্কুললৈ নাযায়। শিক্ষাও বাধ্যতমূলক কৰা স্বত্বেও শিক্ষাৰ প্ৰতি ধাউতি নাই। বাধ্যতামূলক শিক্ষাৰ কথা উপলব্ধি কৰা নাই। বাপেক-মাকে সুধিলে কয়— তালৈ যাব দিয়া নাই : কিয় দিয়া নাই বুলিলে কয়— পইচা দিব লাগে আৰু যদি মাক-বাপেক নাথাকে তেতিয়া পুলিচে ধৰে বুলি কয়। গতিকে দেখা যায় আজি সেইবিলাক অঞ্চলত শিক্ষা বাধ্যতামূলক কৰা স্বত্বেও শিক্ষাৰ বহুল প্ৰচাৰ হোৱা নাই।

আজি আমাৰ সংবিধানে কৈছে বৰ্তমান আমাৰ গণতন্ত্ৰ ৰক্ষাৰ কাৰণে শিক্ষাৰ অতি আৱশ্যক আৰু সেই অনুপাতে সকলোকে আগবঢ়াই নিয়াৰ ব্যৱস্থা আছে। আমি গণতন্ত্ৰৰ ভেটিত সকলোৱে কেনভাচ কৰিবলৈ যাওঁ আৰু গণতন্ত্ৰৰ কথা কেইটামান কওঁ— কিন্তু তেওঁলোকে গণতন্ত্ৰ কি বস্তু তাক বুজি নাপায়। সেই কাৰণে মই ভাবো গণতন্ত্ৰ ৰক্ষাৰ কাৰণে বা ভাল ধৰণে উপলব্ধি কৰিবৰ বাবে সংবিধানে যি ব্যৱস্থা কৰি দিছে সেইমতে সকলোকে সমানে অধিকাৰ দিছে আৰু এই পিচ পৰা সকলো জাতিকে অন্যান্য জাতিৰ সমানে আগবঢ়াই নিবলৈ অনা প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলো।

Shri Mal Chandra Pegu : Mr. Deputy Speaker, Sir, while supporting the resolution moved by Shri Das I want to make a few observations. Sir, you are aware that the Scheduled Caste and Plains Tribal people are lagging far behind other advanced sections of people of the State. Unless these people are given education by which they can come to the level of other people we cannot by making reservation for economic development of the people bring them to the level of others. The only way by which we

can bring these people to the level of other advanced people is by imparting education.

Mr. Deputy Speaker: Now it is 11. 30 A. M. and today is Friday. We cannot continue for more than 45 minutes.

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা বিধিৰ ৫০ নম্বৰ নিয়ম অনুসৰি আজি যিটো বিষয় সদনৰ আগত দাঙি ধৰিবলৈ ইচ্ছা কৰিছোঁ সেইটো বিষয় বস্তু দেখাত সাধাৰণ হলেও বাস্তৱত ই এটা অতি গুৰুত্বপূৰ্ণ বিষয়। কিছুমান বিষয়াই ক্ষমতাত অধিষ্ঠিত থাকি তেওঁলোকৰ তলতীয়া কৰ্মচাৰী বিলাকক কেনেকৈ যি মন যায় তাকে কৰে আৰু বহুতো সময়ত শাস্তিমূলক ব্যৱস্থাৰ পৰা আৰম্ভ কৰি অন্যান্য বহুতো ৰকমৰ লটি-ঘটি কৰা আমি দেখা পাইছো। আমাৰ দেশখন এখন গণতান্ত্ৰিক দেশ আৰু গণতান্ত্ৰিক পদ্ধতিতেই পৰিচালিত হোৱা শাসন যন্ত্ৰৰ তলতে আমি আটাইয়ে বসবাস কৰিছো। ইয়াৰ দ্বাৰা মই এইটোকো কবলৈ বিচৰা নাই যে, আমাৰ বিষয়া সকলে দেশৰ আইন-কানুন একো মানিব নেলাগে। তলতীয়া কৰ্মচাৰী সকলো মানুহ আৰু উচ্চপদস্থ কৰ্মচাৰী সকলো মানুহ। সকলোৰে সুবিধা অসুবিধা আদি থাকিব পাৰে। আমি যিটো সময়ত সমাজত এখন গণতান্ত্ৰিক সমাজবাদী সমাজৰ কামনা কৰিছো সেই ক্ষেত্ৰত ওপৰ শ্ৰেণীৰ চাকৰিয়াল সকলে তলতীয়া কৰ্মচাৰী সকলক হেয় প্ৰতিপন্ন কৰা বা ঘৃণাৰ চকুৰে চোৱাটো আমি কেতিয়াও উচিত নহয়। উপাধ্যক্ষ মহোদয়, বৃটিছৰ আমোলত হোৱা হলেও আমাৰ বিশেষ একো কবলগীয়া নাছিল। আজি বৃটিছৰ আমোলাতান্ত্ৰিক ৰাজত্ব আমাৰ দেশৰ পৰা কেতিয়াবাই গ'ল যদিও সেই আমোলাতান্ত্ৰিকতা কিন্তু আমাৰ প্ৰশাসনীয় ব্যৱস্থাৰ পৰা আঁতৰি যোৱা নাই। এই সম্পৰ্কত আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় থকা হলে ভাল আছিল কিন্তু তেখেত নথকাৰ কাৰণে বোধকৰো আমাৰ আইন মন্ত্ৰীয়েই তেখেতৰ উত্তৰ দিব। সি যি কি নহওঁক উপাধ্যক্ষ মহোদয়, উচ্চপদস্থ বিষয়া সকল আৰু তেওঁলোকৰ তলতীয়া বিষয়া সকলৰ ভিতৰত এটা ভাতৃত্বৰ ভাব থকা একান্তই দৰকাৰ। কিন্তু উপাধ্যক্ষ মহোদয়, সেইটো নায়েই। আমাৰ নগাঁৱৰ 'স্পেছিয়েল জেইলত' এটা অতি ধুনীয়া ঘটনা ঘটিছে। ঘটনা টো হৈছে এয়ে যে উচ্চপদস্থ দুই তিনিজনমান বিষয়াই তেওঁলোকৰ তলতীয়া বিষয়াৰ জীৱন

লৈ লৰাধেমালী খেলিবলৈ আৰম্ভ কৰি দিলে। নগালেণ্ডৰ কিছুমান কয়দীক নগাওঁ স্পেচিয়েল জেইলত ৰখা হৈছিল। তেওঁলোকৰ বিচাৰ কৰিব কেন্দ্ৰীয় চৰকাৰে। কেন্দ্ৰীয় চৰকাৰৰ পৰা এটা নিৰ্দেশ আহিল যে, এই কয়দী বিলাকক মেঘালয়লৈ নিব লাগে। কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা নিৰ্দেশ অহাৰ পিছতে আমাৰ কেইজন-মান বিষয়াই নিজৰ ক্ষমতা দেখুৱাবলৈ গৈয়েনে, মেঘালয় চৰকাৰক তোষামোদ কৰিবলৈ গৈয়েনে কব নোৱাৰো, ওপৰ মহলত নজনাকৈ এটা সিদ্ধান্ত গ্ৰহণ কৰিলে। আনকি এই সিদ্ধান্তটো সেই সময়ৰ জেইল মন্ত্ৰীজনে নজনাকৈয়ে এটি সিদ্ধান্ত গ্ৰহণ কৰিলে। সেই সিদ্ধান্ত অনুসৰি যোৱা ফেব্ৰুৱাৰী মাহত নগাওঁ স্পেচিয়েল জেইলৰ চতুৰ্থ আৰু তৃতীয় শ্ৰেণীৰ সকলো কৰ্মচাৰীকে বদলিৰ হুকুম দিলে। কথা নাই বতৰা নাই হঠাৎ এইদৰে বদলিৰ আদেশ হোৱাত কৰ্মচাৰী সকলৰ মহা চিন্তা হ'ল। কাৰণ তেওঁ-লোক এইদৰে হঠাৎ বদলিৰ কাৰণে প্ৰস্তুত নাছিল আৰু বিশেষকৈ হঠাৎ এইদৰে বেলেগ এখন ৰাজ্যলৈ যাবলৈ তেওঁলোকৰ ঘৰুৱা পৰিস্থিতিও সিমান সুবিধাজনক নাছিল। গতিকে সেই কৰ্মচাৰী সকলে ৰিপ্ৰেজেণ্টেস্বন আদি দিবলৈ আৰম্ভ কৰিলে। চৰকাৰৰ আই, এ, এচ, ; আই, পি, এছ আদি বিষয়া সকল আছে। এখন ঠাইৰ পৰ আন এখন ঠাইলৈ হঠাৎ এইদৰে বদলি কৰিব লগা হলে বিশেষকৈ এখন প্ৰদেশৰ পৰা অন্য এখন প্ৰদেশলৈ পঠাব লাগিলে যাক পঠিয়াব তেওঁলোকৰ সুবিধা অসুবিধা আদি সুধি লব লাগে আৰু নিজৰ ইচ্ছা-অনিচ্ছা আদিও অনুসন্ধান কৰিব লাগে। কিন্তু সেইবিলাক সোধ-পোচ কৰা বেলেগেই তেওঁ-বিলাকৰ অনিচ্ছাস্বত্বেও এই বিষয়া সকলক বাধ্যতামূলক হুকুম দি মেঘালয়লৈ পঠোৱাৰ ব্যৱস্থা কৰিলে। এই কথাখিনি দৃষ্টিগোচৰ হোৱাত যোৱা এপ্ৰিল মাহত মুখ্যমন্ত্ৰীক সোধা হৈছিল। তেতিয়া মুখ্যমন্ত্ৰীয়ে এই বিষয় একোকে নেজানো বুলি কৈছিল। তাৰ পিছত জেইল মন্ত্ৰীক সোধাতো তেখেতে ক'লে যে, 'মইনো কি কৰিম, পিছত মোক কিবা কৰিহে চহীটো ল'লে। এতিয়া মোৰ পজিশ্বনো অ'কৱাৰ্ড কৰি পেলালে। ইয়াৰ পিছত মুখ্যমন্ত্ৰীক এই বিষয়ে অবগত কৰোৱাত তেখেতে এইটোৰ প্ৰতি দৃষ্টি দিব বুলি ক'লে। তাৰ পিছত যোৱা জুলাই মাহত আমাৰ মাননীয় সেই সময়ৰ জেইল মন্ত্ৰীৰ মৃত্যু হোৱাৰ কেইদিন মানৰ আগেয়ে মই শ্বিলঙলৈ যাওঁতেই এই বিষয়ে মই দৃষ্টিগোচৰ কৰিলো। তেতিয়া মন্ত্ৰীজনাই মাতি আনি হ'ম আৰু পলিটিকেল বিভাগৰ ডেপুটি চেক্ৰেটৰীক এই বিষয়ে বিশেষ ভাৱে চিন্তা কৰি চাবলৈ ক'লে। সেই কৰ্মচাৰী সকলৰ ভিতৰত

এজন মানুহৰ বুঢ়া বাপেক আছে, লৰিব চৰিব নোৱাৰে। চকু কণা, বাহিৰলৈ বা শৌচ-প্ৰসাৱ আদি কৰাবলৈ ঘৰত আৰু অন্য মানুহ নাই। অন্য এজনৰ ঘৰত ল'ৰা-ছোৱালী সৰু সৰু, পৰিবাৰৰ গা-বেয়া ইত্যাদি লেঠাও আছে। মন্ত্ৰীজনাই এই বিলাক কথা ভালদৰে চিন্তা কৰিবলৈ অনুৰোধ জনালে আৰু মইও সেই বিষয়ে বিষয়াজনক অনুৰোধ কৰিলো। কিন্তু উপাধ্যক্ষ মহোদয়, কিছুদিনৰ মূৰত দেখা পোৱা গ'ল যে, সেই জেইলৰ চুপাৰিণ্টেণ্ডজনক বদলি কৰি ধুবুৰীলৈ পঠোৱা হ'ল। তাৰ পিছত চতুৰ্থ শ্ৰেণীৰ কিছুমান কৰ্মচাৰী টালি-টোপোলা বান্ধি মেঘালয়লৈকে যাবলৈ সাজু হল আৰু কিছুমানে সেইদৰে হুকুম মানি শ্বিলঙত জইনও কৰিলেগৈ।

মাননীয় অধ্যক্ষ মহোদয়, আমি যি এটা কথা কওঁ, চৰকাৰৰ আগত তাত চৰকাৰে সহাৰি দিব লাগে আৰু চৰকাৰে তাৰ যুক্তি যুক্ততাৰ সম্পৰ্কে চাব লাগে। আজি আমি আমাৰ সাধাৰণ ৰাইজৰ কথাবিলাক কবলৈ এই সদনলৈ আহিছো। যদি আমি এই-বিলাক কথা নকও তেন্তে আমাৰ প্ৰতিনিধিত্ব কৰাৰ অধিকাৰ আছেনে? মহোদয়, যোৱা ৬ চেপ্তেম্বৰৰ দিনা মই মুখ্যমন্ত্ৰীক লগ ধৰিছো আৰু ১০ তাৰিখৰ দিনা মই এখন নিজে ৰিপ্ৰেজেনটেচন চিফ চেক্ৰেটাৰীক দিছো, তেতিয়া তেখেঁতে স্পেচিয়েল চেক্ৰেটাৰীৰ লগত যোগাযোগ কৰিছে যাৰ নেতৃত্বত আজি এই কাম হৈ আছে। ঠিক তাৰ পিছতে হয়তো তেওঁলোকৰ ভিতৰতে কোৱা মেলা কৰিছে যে বিৰোধী দলৰ এম, এ, লেৰ হতুৱাই কাম কৰিব বিচাৰিছে তাৰ পিচত মহোদয়, এটা সাংঘাটিক কাম কৰিলে। ১৯ তাৰিখৰ দিনা গৱৰ্ণৰৰ চুৱেৰিং চেৰিমনি আছিল, সেইদিনাও মই নিজে মুখ্যমন্ত্ৰী মহোদয়ক লগ ধৰি এই বিষয়ে কৈছিলো। আৰু মুখ্যমন্ত্ৰীয়েও লগে লগে বিশেষ সচিবক কলে যে, ইন্দিভিজিৱেলি ইয়াৰ এটা ব্যৱস্থা কৰিব লাগে। এই বুলি কোৱাৰ পিচত মুখ্য সচিবে গতানুগতিক পদ্ধতিত কিছুমান কথা লিখি লৈ হৈ যাব বুলি ক'লে। ২০।২১ তাৰিখে মই আহিবৰ দিনা নগাওত এই মানুহ কেই-জনৰ খবৰ লওতে খবৰ পালো। এজন মানুহে ক'লে যে, তেওঁলোক নাই,আপুনি নাজানে নেকি? তেওঁলোকক ১২ তাৰিখৰ দিনাই বাই টেলিগ্ৰাম চাচপেনচনৰ অৰ্ডাৰ দিছে আৰু ১৩ তাৰিখৰ দিনা গৰ্ভৱতী তিৰোতা, ল'ৰা-ছোৱালী সহ খেদি পঠোৱা হৈছে। মুখ্যমন্ত্ৰীৰ আগত যি কথা সচিব জনে কৈছিল ইয়াৰ এটা একচন লোৱা হলে সম্পূৰ্ণ ভাৱে গোটেই কথাটো বেলেগ হ'লহেতেন। কিন্তু এই সকলো বিলাক কথা লুকুৱাই এই লোক কেইজনে নিজৰ গ্ৰিভান্স জনাই যি দৰ্খাস্ত দিছিল

সেইটোৰ কোনো কাম নহল। এনে এজন বেংকৰ মানুহো দুৰ্নীতিত লিপ্ত আছে।

Shri Syed Ahamed Ali ( Minister ) : Sir, I think, this is objectionable, because the officers are not present here and they can not defend themselves. This should be expunged.

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : মহোদয়, অভিযোগ আছে, সেই মানুহজনৰ চাচপেনচন হৈছিল।

Shri Syed Ahmed Ali ( Minister ) : You can being a substantive motion and discuss the matter.

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : মহোদয়, এজন মানুহৰ ট্ৰান্সফাৰ অৰ্ডাৰৰ ওপৰত এনে ধৰণৰ শাস্তি দিয়া কিবা বেকগ্ৰাউণ্ড থাকিব পাৰেনে ? যদি তেওঁলোকৰ বিৰুদ্ধে কিবা শাস্তিমূলক ব্যৱস্থা লব লাগে তেন্তে সেই শাস্তিমূলক ব্যৱস্থাৰ কাৰণ থাকিব লাগে। আজি গণতান্ত্ৰিক দেশত এজন মানুহে নিজৰ অফিচাৰৰ কেপাচিটি জানে। কাৰণ চৰকাৰী চাকৰিয়াল হ'ল বুলিয়েই যে সকলোকে ফুটবল খেলাদি খেলি ফুৰিব তাৰ কোনো অধিকাৰ নাই। যদি চোৰ হয়, যদি ডকাইত হয়, যদি বেয়া কাম কৰে, যদি দুৰ্নীতি কৰে সেইবিলাক বিষয়াৰ প্ৰতি আমাৰ সহানুভূতি নাই। কিন্তু বিনা কথাত এই মানুহ বিলাকে গৈ ৰাতি ৰাতি তেওঁলোকৰ ঘৰত সোমাই তেওঁলোকৰ কনা বাপেক আছেনে নাই বা তেওঁলোকৰ খোৰা বাপেক আছেনে নাই, তাত গৰ্ভৱতী তিৰোতা আছেনে নাই, সেই পৰ্য্যন্ত চাবলৈ গৈছে। মনে মনে ( চোৰৰ দৰে বুলি কলে আন পাৰ্লিয়ামেণ্টৰি হব ) তেওঁলোকৰ বিষয়ে ইমানখিনি কথা জনাৰ পিছত মানবীয় ধৰণে তেওঁলোকক ব্যৱহাৰ কৰা উচিত আছিল কিন্তু অমানবীয় ধৰণে ব্যৱহাৰ কৰি সৰু চাকৰিয়ালক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছে। আজি আমাৰ আই, এ, এচ বিষয়াক মেঘালয় আদিত নিবলৈ বিচাৰিছে কিন্তু এনে ধৰণৰ সৰু চাকৰি কৰা লোকক আন ষ্টেটলৈ নিব নোৱাৰে। ইয়াৰ কোনো নীতিগত ভাবে ভুল নাই। আজি কেবিনেট লেভেলত এই তিনিখন ৰাজ্যৰ জৰিয়তে পলিচি মেটাৰ বিচাৰিছে, আজি মেঘালয়ে আমাৰ মানুহ কিয় বিচাৰিছে ? এই কথাটো কেবিনেটত আলোচনা হৈছেনে ?

এতিয়া দেখা গৈছে কথাটো এনেধৰণৰ হৈছে : —

“এঘৰৰ পাট নাদ, এঘৰৰ জৰি,

আনঘৰে পানী তোলে, খপ খপ কৰি”।

এজন মানুহৰ ট্ৰেন্সফাৰ কেনচেল কৰি আন এজনক নি বেলেগ এঠাইত দিয়াৰ কি উদ্দেশ্য থাকিব পাৰে। মহোদয়, এইটো কথা আপুনি জানে যে, আগতে দেপুটেচনত নিলে দেপুটেচন এলাওন্সেৰ দিয়াৰ বন্দবস্ত আছিল, কিন্তু এতিয়া সেইবোৰ বন্ধ কৰি দিছে। আৰু কোন কোন যাবলৈ ইচ্ছুক সেই কথাও এবাৰে সোধা নহ'ল।

মহোদয়, আজি আমাৰ মন্ত্ৰী মহোদয়ে কিছুমান অফিচাৰৰ কথা কোৱাত আপত্তি কৰিছে কাৰণ সেই মানুহ বিলাক আমাৰ ইয়াত নাই।

উপাধ্যক্ষ মহোদয়, আজি কোন জন মানুহ ভাল? যি জনে দুপইচা বেলেগ ভাবে অৰ্জন কৰিব পাৰে। এতিয়া তাত থকা চুপাৰিণ্টেনদেণ্টজন বৰ ভাল মানুহ, কাৰণ তেওঁ অফিচৰ জেইলৰ কাম নকৰাকৈ আন বহুতো কাম কৰিব পাৰে।

আজি সমাজত কোন জন মানুহ ভাল বা কোন জন মানুহক ভাল বুলি সকলোৱে কয়, যি সকলে বাহিৰা দুই এপইচা উপাৰ্জন কৰে সেই জনেই আজি ভাল মানুহ বুলি পৰিগণিত হৈছে। ঠিক একেদৰেই সেই জেইল চুপাৰিনটেন্‌ডেণ্ট জন ভাল মানুহ কিয়নো তেওঁ বহুতো বাহিৰা পইচা উপাৰ্জন কৰিব পাৰিছে নিজাকৈ 'পেট্ৰোল পাম্প' এটাও বহাই লৈছে নিজাকৈ গৰু জাক পুহিছে, জেইলৰ কাম বনত মন নিদি কেৱল ঘনাই শ্বিলংলৈ অহা-যোৱা কৰি আছে আৰু মাজে সময়ে ডাঙৰ পহু মাৰি আনি খুৱাব পৰা হৈছে, গতিকে তেওঁ আজি ভাল মানুহ, এওঁলোকৰ ভুলবিলাক কাৰো চকুত নপৰে এই কংগ্ৰেছ চৰকাৰৰ চকুত ধৰা নপৰে।

Shri Syed Ahmed Ali ( Minister ) : Sir, if he has got any officer can bring a substantive motion and discuss here.

( Shri Malchandra Pegu rose to speak something but could not be heard due to interruptions ).

Shri Dulal Chandra Barua : If the Hon. Member wants to speak, he should try to control himself and speak in a proper manner.

উপাধ্যক্ষ মহোদয়, আজি এনেধৰণৰ পৰিস্থিতি এই অফিচাৰ সকলৰ দিনত হৈছে যে সেইবোৰ পৰিস্থিতি সমাধান কৰাতো কঠিন হৈ পৰিছে। গতিকে অনতি-পলমে এনেবোৰ অফিচাৰৰ বিষয়ে ব্যৱস্থা লব লাগে। আজি এনেকুৱা অৱস্থা

দেখা গৈছে যে মতাক মাইকী আৰু মাইকীক মতা কৰা আইন আকৌ গৰ্ভৱতী নাৰীক গৰ্ভৱতী নোহোৱা বুলি কোৱা অন্ধ মানুহক চকুৰে দেখা বুলি প্ৰমান কৰা আৰু ২৪ ঘণ্টাৰ ভিতৰতে গৰুক খেদি পঠোৱাৰ দৰে এজন 'পাৰমানেণ্ট' চৰকাৰী চাকৰিয়ালক সেই চুপাৰিনটেনডেণ্ট জনে পুলিচৰ সহায় লৈ খেদি পঠিয়াতো আইনে একো কৰিব পৰা নাই।

Shri Mal Chandra Pegu : My friend has been asking me to ... ... ... ...

Shri Dulal Chandra Barua : I am on my legs, Sir, I am on my legs, I am on my legs. I am here to fight for against injustice, and I shall fight to the last.

সেইকাৰণে মই কব বিচাৰিছোঁ, মই দাবী কৰিছোঁ যে এই কথাটো ভালদৰে অনুসন্ধান কৰি যিসকল বিষয়াৰ কৰ্তৃত্বৰ এনে ধৰণৰ অৰাজকতা হয় মানুহৰ ওপৰত সাধাৰণ কৰ্মচাৰীৰ ওপৰত জোৰ-জুলুম কৰি শাস্তি দি পথৰ ভিক্ষাৰী কৰিছে সেই সকল উচ্চ পদস্থ বিষয়াক শাস্তি বিহাৰ ব্যৱস্থা কৰিবনে, আজি কোনো লোকৰেই ব্যক্তিগত জীৱনত গনতান্ত্ৰিক অধিকাৰ খৰ্ব কৰাৰ ক্ষমতা নাই।

Shri Mal Chandra Pegu : On a point of order, Sir. When a particular persons enters into the Government service, he makes a contract with the Government... ... ...

Shri Dulal Chandra Barua : It is not a point of order, Sir. Mr. Deputy Speaker : What is your point of order? You cannot explain the subject matter through a point of order.

Shri Dulal Chandra Barua : I know, Sir, the Hon. Member is habituated to drinks and even while sitting here he cannot shake off its influence.

Shri Mal Chandra Pegu : When he should say so Sir, He must withdrs it. I am a responsible Member of this House.

Mr. Dy. Speaker : I shall expunge the offending portion from the proceeding so that the discussion may now proceed smoothly.

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : মই কোনোবা বিষয়াৰ ট্ৰেন্সফাৰৰ বিৰোধিতা কৰা নাই, মই বিৰোধিতা কৰিছোঁ এখন ৰাজ্যৰ পৰা অইন এখন ৰাজ্যলৈ 'ট্ৰেন্সফাৰ' কৰাৰ ক্ষেত্ৰতহে। ৰিপ্ৰেজেণ্টেশ্যন দিয়া স্বত্বেও কনচিদাৰেশ্যন কৰা নহ'ল। যদি কোনোবাই সেই বিষয়াজনক 'দিফেন্দ' দিব খুজিছে তেতিয়াহলে তেওঁ মন্ত্ৰী হৈ পেলাই তেওঁক দিফেন্দ দিয়কগৈ। এজন সদস্যই কথা কৈ থাকোতে উপাধ্যক্ষ মহোদয়, আন এজন সদস্যই এনে ধৰণৰ কিছুমান 'ইৰিভেলেণ্ট' কথা কোৱাটো উচিত নহয়। এইটো 'পইণ্ট অব অ'ৰডাৰ'

When an Hon. Member is on his legs, rules of the House and the decency and decorun of debates demand that no other Member of the House should disturb the proceedings. Of course if any Hon. Member wants to raise a point of order, he can do so by quoting the rule with regard to which the point of order is raised. I would therefore say that the Hon. Member should not be allowed to disturb me in his manner. I want you protection, Sir.

সেইকাৰণে মই কবলৈ বিচাৰিছো যদি চৰকাৰৰ ফালৰ পৰা এনেধৰণৰ কথাক ন্যায় বুলি ভাবে, চৰকাৰৰ ফালৰ পৰা এনেধৰণৰ হেচা দিয়া নিৰীহ কৰ্মচাৰীৰ ওপৰত এনেধৰণে জুলুম জবৰদস্তি কৰা ভাল বুলি ভাবে তেতিয়াহলে উপায় নাই, এই অফিচাৰজনৰ যদি কিবা এটা বিচাৰ নকৰে আমি তাৰ কিবা এটা ব্যৱস্থা লবলৈ বাধ্য হম।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ : মাননীয় উপাধ্যক্ষ মহোদয়, যিটো বিষয় আলোচনাৰ বাবে আজি উত্থাপন কৰা হৈছে এইটো এটা অতি গুৰুত্বপূৰ্ণ বিষয়। কিয়নো ইয়াৰ লগত কিছুমান মূল প্ৰশংসনীয় নীতি জড়িত হৈ আছে। সদস্য গৰাকীৰ কথাখিনিৰ পৰা যি বুজি পালো যে, এখন ৰাজ্যত চাকৰি কৰি থকা কেইজন-মান বিষয়া। তেওঁলোকৰ ইচ্ছা অনিচ্ছা আৰু সুবিধা-অসুবিধাৰ কথা অকনো

বিচাৰ বিবেচনা নকৰাকৈয়ে অন্য এখন বাজ্যলৈ বদলি কৰা হ'ল। ইয়াৰ দ্বাৰা গনতান্ত্রিক অধিকাৰ আৰু প্রশাসনীয় আইন ভঙ্গ কৰা হৈছে। এইবিষয়ে আবেদন নিবেদন কৰোতে আৰু নিজৰ অসুবিধা আৰু ইচ্ছাৰ কথা ব্যক্ত কৰোতে তেওঁ-লোকক ঘৰৰ পৰা সমস্ত বয়-বস্তুৰে সৈতে বাহিৰ কৰি দিয়া আৰু তুই এজনক বদলি কৰি দিয়া কাৰ্য্যই স্বেচ্ছাচাৰী কেইজনমান বিষয়াৰ বৈষম্যমুলক নীতিৰ কথাকে সূচাইছে। আৰু ইয়াৰ দ্বাৰা আমাৰ কৰ্মচাৰী সকলৰ অকনো নিৰাপত্তা নাইকিয়া কৰি পেলাইছে। সেইকাৰণে এইটো অতিশয় গুৰুত্বপূর্ণ বিষয় হৈ পৰিছে। তত্নপৰি, এইটো এনেকুৱা এটা বিষয় আছিল যিটো বিষয় কেবিনেট পৰ্য্যায়ত আলোচ্য বিষয়। কিন্তু কেবিনেটৰ দৃষ্টিগোচৰ নকৰোৱাকৈয়ে আৰু নিজৰ ইচ্ছামতে কাম কৰি বিনা দোষতে কেইজনমান চৰকাৰী চাকৰিয়ালৰ ওপৰত শাস্তি বিহাৰ কাৰণে জগৰীয়া বিষয়াসকলৰ ওপৰত সমূচিত ব্যৱস্থা লব লাগে বুলি মই চৰকাৰৰ গুচৰত দাবী জনাই মোৰ বক্তব্য সামৰিছো।

Shri Mal Chandra Pegu : Sir, under Rule 50, I think this should not have been allowed ... ... ... ... ...

Mr. Deputy Speaker : That cannot be questioned.

Shri Dulal Chandra Barua : Sir, he is challenging the order of the Hon'ble Speaker.

( Interruptions ).

Mr. Deputy Speaker : Order, order ; আপুনি বহক, বহক . Anything which is in the order paper of the day cannot be questioned, only the Hon'ble Members, who want to take part in the discussions, can participate in the discussions. I have fixed the time for 45 minutes. So, any Hon'ble Member, who wants to take part in the discussion, can do so under the Rule 50. If the Hon'ble Member want to speak a few words, he may speak.

শ্রীমালচন্দ্র পেগু : চৰকাৰী চাকৰিয়াল হিচাবে কিছুমান ফান্দামেণ্টেল ৰাইট খৰ্ব কৰা হৈছে।

Shri Dulal Chandra Barua : Sir, I raise a point of order. Under Rule 50, you have allowed us to participate in the discussions. But this was challenged by the Hon'ble Member Mr. Pegu. He is questioning the propriety of the order of the Hon'ble Speaker. But now I could not understand, how the Hon'ble Member has been allowed to speak.

( Interruptions ).

Shri Mal Chandra Pegu : Sir, what is the use of laying so much importance on this matter—

শ্ৰীমালচন্দ্ৰ পেগু : চৰকাৰী চাৰ্ভিচত সোমোৱাটো এটা কন্টাক্টৰ নিচিনাহে যেনে চৰকাৰৰ কথামতে কাম কৰিব লাগিব। কিছুমান ফাণ্ডামেণ্টেল ৰাইট খৰ্ব কৰি দিয়াও হৈছে। কিন্তু এইটোও হব পাৰে যে কনফিডেনচিয়েল ৰিপোৰ্ট বেয়া হবও পাৰে। তাৰ কাৰণে বদলি কৰা হ'ল। ৰাইজে তাৰ কাৰণে কোনো অসুবিধা পোৱা নাই। নগাওঁ জিলাৰ মানুহখিনি বিপদত পৰা নাই। সেই কাৰণেই মই কৈছো কনফিডেনচিয়েল ৰিপোৰ্ট বেয়া হোৱাৰ কাৰণে বদলি কৰিব পাৰে। আমাৰ মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই কৈছিল যে অফিচাৰসকল দুৰ্নীতিপৰায়ণ হৈছে। তেওঁলোকক ৰিমোভ কৰিব লাগে।

( ভইচ সেইটো নুবুজিলে )

শ্ৰীসোনেশ্বৰ বৰা : সেইটো নুবুজাকৈ কথা কৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : 'ইংৰাজীত'··· মই মাননীয় সদস্য গৰাকীক সুধিব বিচাৰিছো যে বেলেগক ডিৰেকচন দিব পাৰে দিয়ক কিন্তু আমাক দিব নালাগে।

চৈয়দ আহমদ আলী : মই মাননীয় সদস্য গৰাকীক সুধিব খুজিছো এইটো সকলোৱে শুনিছে।

Mr. Deputy Speaker : Order, order ; Both the point of orders are ruled out.

Mr. Deputy Speaker : The matter is very simple but we have made it very complex. Since he wants to discuss certain

points on clarification, he may by allowed to do so. There is a practice of the House. The practice is that Sr. Member of the House has got certain privilege and in the midst of discussion if the Sr. Member wants to raise certain points on clarification, Sr. Member is allowed to do so. I think they will maintain that privilege to take part in the disucssion.

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : চাৰ, পইণ্ট অব ক্লেৰেফিকেচন সুধিব বিচাৰিছো। এইটোত মই অনুমতি লম আপোনাৰ আৰু আপোনাৰ মতেহে চলিব। কোনোবাই যদি লোকক ডিৰেকচন দিয়ে দিয়ক আমি বিচৰা নাই। মাননীয় সদস্য গৰাকীয়ে আমি কোৱা কথাখিনি ভালকৈ বুজিছে নে নাই সেইটোহে সুধিব বিচাৰিছো।

শ্ৰীমালচন্দ্ৰ পেগু : মই মোভাৰতকৈ বেছি বুজি পাও।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : Sir, for a point or clarification আমি কিন্তু তেখেতৰ কথাৰ পৰা যিটো বুজি পালো তেখেতে আমাৰ কথাখিনি বুজা নাই।

Mr. Deputy Speaker : Now, Minister will reply.

Shri Syed Ahmed Ali ( Minister ) : Mr. Dy. Speaker, Sir, some Hon'ble members and particularly Hon'ble Member Mr. Barua have made certain observation and brought some allegations. Sir, so far as I understand this allegation is based on wrong information because the actual face of the case is not such. In the course of his statement, the Hon'ble Member Mr. Barua has stated that the Govt., by violation of the fundamental rights and other departmental rules, has passed the transfer orders of these officers from Assam State to Meghalaya. Sir, one of our Hon'ble Members wanted to raise a point whether this matter was a matter of public importance or not and the Hon'ble Member's intention was not to challenge your ruling. But he wants to justify that

this is a very simple matter. But it has been made complicated and a matter of urgent public importance by wrong information. Sir, his intention was not to challenge your ruling.

শ্ৰীসোনেশ্বৰ বৰা : উপাধ্যক্ষ মহোদয়, কথাষাৰ পৰিষ্কাৰ কৰি দিব লাগে।

Mr. Deputy Speaker : I am asking who wants to speak.

Order, order ; The convention of the House is that when one Hon'ble Member is on his legs the other Hon'ble Member can seek clarification only with the permission of the Chair and that too only when the Hon'ble Member speaking gives way. But here the Minister is not giving his way and he is on his legs. Therefore, how can I allow you to speak ? I cannot allow other members to speak. It is for the safety of the Hon'ble Member that this practice is io be maintained.

Shri Jalaluddin Ahmed : Sir, may I know whether the Minister is superior or the Member is superior to the Minister.

Shri Syed Ahmed Ali : Sir, I do not like to enter into any controversy. Just now you ruled that when a Member is on his legs, he should not be disturbed by others. But I am being obstructed by my friend Shri Barua.

Let me now go to the actual facts of the case.

Shri Syed Ahmed Ali ( Continued ) : 130 Naga prisoners were lodged in the Special Jail Nowgong pending trial on charges of sedition and of raising arms against the established Government. In connection with their custody and maintenance therein the staff attached to the Special Jail had to be strengthened by the addition of a temporary staff of two

Assistant Jailors, one Chief Head Warder and 10 Male Warders. This additional staff was entertained at the cost of the Nagaland Government and the State Government received necessary reimbursement on this count.

It was decided in 1972 that these Naga prisoners would be tried by a Special Judge at Shillong. Arrangements for their trial in Shillong had therefore to be taken in hand. As accommodation in the District Jail at Shillong was inadequate and security arrangements were not of the required standard, it was decided to open a Special Jail at Mawlai to lodge the Naga prisoners on transfer from the Nowgong Special Jail. A special jail was therefore constructed expeditiously for that purpose as all concerned authorities were anxious to start the trial as soon as possible.

The Meghalaya Government who are responsible for the custody and maintenance of these prisoners in the Special Jail at Mawlai required the services of a number of jail officials, from the Special Jail, Nowgong. Since the staff in the Nowgong Special Jail were specially concerned with the custody and maintenance of these prisoners, it was considered that it would not only be desired but also necessary to transfer the staff to the Special Jail at Mawlai since with the transfer of these prisoners from Nowgong to Mawlai, the temporary additional staff entertained at Nowgong would not actually be required there.

In consultation with the I.G. Prisons, Meghalaya, the I.G. Prisons, Assam selected one Superintendent, District Jail, two Assistant Jailors, two Head Warders and 30 Warders of Nowgong Special Jail and moved Government

for placing their services at the disposal of the Meghalaya Government on deputation. Since the staff of the Special Jail, Nowgong were required for a very urgent public purpose and their deputation was necessary to give a start to this important trial without any delay, the temporary deputation of the staff was approved at a level much higher than the Deputy Secretary and I.G. Prisons.

Necessary orders were issued for deputation to Meghalaya with direction to join at Mawlai within a specified time. The Officers and staff so deputed however started making representations against their deputation from various places and the orders for early assumption of duties at Mawlai were not complied with. The standard of discipline and obedience in the Jail Department is to be more or less the same as in the Police and the failure of the Jail staff to take up their duties as per direction of Government had to be viewed with serious concern. Nevertheless, the representation submitted were duly examined and with orders of the then Minister, Jail, it was decided considering the urgency of their work at Mawlai that the officers already deputed should take up their positions pending further consideration of their representations on merit. It was also decided that notwithstanding their deputation to Mawlai, their families would be allowed to continue in the quarters attached to the Special Jail, Nowgong, in relaxation of the specific provisions to the contrary in the Assam Jail Manual.

All concerns were informed about these decisions with further direction from the I.G. Prisons to expedite assumption

of duties in Mawlai as the trial of this case of national importance was being delayed. In spite of these orders passed after due consideration, no heed was paid thereto.

The manner in which orders of Government were being blatantly disregarded and all kinds of pleas raised by practically the whole staff deputed to Meghalaya caused serious concern as it virtually assumed the character of a collective flouting of Government authority by a group of their employees. The position became so difficult that special measure to maintain security and discipline in the Special Jail, Nowgong, had to be adopted. This unhappy situation which was placing the State Government in an extremely embarrassing position was duly brought to the notice of the Chief Secretary and the measures undertaken to enforce discipline and security in the Special Jail, Nowgong, were approved.

This issue of deputation of the Jail Staff to Meghalaya in the above circumstances, was further discussed between the Chief Minister and the then Jail Minister and it was decided that the deputation should be for a period of only 6 months. The Officers and staff were duly apprised of their deputation to Meghalya for 6 months only with further direction to take up their assignments with out any delay. Eevn then the situation did not improve.

When the position became more and more delicate and embarrassing for the State Government, the then Minister, Jail visited the Nowgong Special Jail along with concerned Officers and fully explained the urgency of the matter. The pleas raised by the Officers and staff were also sympathe-

tically gone into and attempts made to understand their genuine difficulties. When the case of two Assistant Jailors who pleaded physical disability to work in Shillong was referred to the Civil Surgeon of the District, it was confirmed by the Civil Surgeon that they were physically fit to serve in Shillong. These representations against their deputation were accordingly rejected.

Some of the staff deputed to Mawlai started taking up their positions gradually thereafter. The two Assistant Jailors whose plea of physical disability was disproved did not agree to move and they were placed under suspension.

It is unfortunate that in connection with an extremely important matter of national interest like the trial of a large number of prisoners by a Special Judge, a section of staff in the Jail Department, where high standards of discipline and obedience are to be expected and enforced, created such an embarrassing situation for the State Government.

I am happy to say that the position regarding assumption of duties by the staff on deputation in Mawlai has improved considerably following disciplinary action as explained above.

Shri Dulal Chandra Barua : Sir, I want to have certain clarifications from the Minister. I am sorry to trouble him but I have to. He has said that one Superintendent was also there. If that post is so indispensable, why the Superintendent was not transferred to Meghalaya ? Secondly, at what lavel the decision was taken because my point is that where three States are involved, whether any Deputy

Secretary or the I.G. of Prison can take a decision. Thirdly who constructed the jail at Mawlai and who appointed the Special Judge— whether the Nagaland Government has appointed or the Government of India? Who asked for the services of these people on loan or on deputation from Assam?

Shri Syed Ahmed Ali (Minister) : The first point which the hon. member has raised, it involves three States. It is true that there are some rules regarding deputation of officers from one State to another. It is also an usual practice that officers are deputed from one State to another. There are many officers of the Govt. of Assam who are serving under other Govts. I can cite an example. Long long ago some professors of Cotton College were deputed as professors and principals of Mokokchang College. Here Sir, this case is a special one, and because of this fact I repeated a particular portion of the statement. When the prisoners will be shifted there service their will be terminated that means they were appointed temporarily. So to save these officers we have asked them to go and join there. If they refuse then they will be put out of employment. These officers were looking after these prisoners for a long time. They are fully acquinted with the behaviour of these prisoners and therefore, they were asked to go there. And that is also only for 6 months. I came to know also from the Deptt. that the hon. member had also agreed to their transfer for 6 months. They were deputed only for 6 months. These officers were sent on deputation on receipt of a requisition from Meghalaya Govt.

Shri Dulal Chandra Barua : May I speak Sir, with your permission ? The first order was issued transfering the Superintendent. Later on his transfer order was cancelled. I think the Minister has not been briefed properly or might be wrongly briefed. These people were in Nowgong and they were not appointed against these posts, that is, to look after these particular prisoners. They were appointed long before.

Shri Syed Ahmed Ali ( Minister ) : Sir, the other point is regarding the appointment of a Special Judge. This I know personally because the Nagaland is also under the same High Court. Therefore, on the requisition by the Nagaland Govt. the High Court deputed some Judges and that is also with the approval of the Assam Govt. Accordingly these Judges have been appointed by the High Court with the approval of the Govt.

Shri Dulal Chandra Barua : Deputation may be there but we did not appoint the Judges for that. I am sorry I am interrupting the Minister. My point is that when 3 Govts, are concerned a policy decision should be there. It is not the question of staff only. The prisoners belong to some other Govt., the Judges are appointed by the Assam Govt., the Jail has been constructed somewhere else. Everything is in a mess. I also do not know how the Superintendent could be spared keeping the two junior officials in trouble.

Shri Syed Ahmed Ali ( Minister ) : I think Sir, I could convince the hon. member. The Judge was appointed by the High Court and he was on deputation. Whether a policy

decision is taken or not that question cannot come here. Because if a decision is taken from the Directorate level or from the Sectt. level that becomes a policy decision. Due to the fact that an extraordinary circumstances have arisen these officers were transferred to look after the prisioners as they were looking after these prisoners for a long time.

Mr. Deputy Speaker : Order, order, it is now 12·30

Shri Dulal Chandra Barua : It is not yet 12·30

Mr. Deputy Speaker : This is almost 12·30 The House stands adjourned till 10. A.M. on Monday the 3rd December 1973.

## ADJOURNMENT

The House stands adjourned till 10. A. M. on Monday the 3rd December 1973.

Dated
Dispur the 30th November, 1973

Shri P. D. Barua
Secretary
Legislative Assembly, Assam